সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ৪২সংখ্যা, ৩ কাতি , ৰবি বাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 42 Date Of Publication - 20 October 2024 Rs.10.00/-

## অসমৰ তিনি বিধানসভা সমষ্টিৰ প্ৰাৰ্থী তালিকা ঘোষণা বিজেপিৰ






ৰঙিলী বাৰ্ত্তাসেৱা- উপ নিৰ্বাচনৰ তিনি বিধানসভা সমষ্টিৰ বাবে বিজেপিয়ে প্ৰাৰ্থিত্ব ঘোষণা কৰিছে। বিজেপিৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ পৰা প্ৰকাশ কৰা বিবৃতি অনুসৰি অসমৰ তিনি সমষ্টি ক্ৰমে ধলাইত নিহাৰ ৰঞ্জন দাস, বিহালীত দিগন্ত ঘাটোৱাৰ আৰু চামগুৰিত দিপ্লুৰঞ্জন শৰ্মাক প্ৰাৰ্থিত্ব প্ৰদান কৰা হয়। আনহাতে বিজেপিৰ ৰাষ্ট্ৰীয় নেতৃত্বই বিহাৰত হ'ব লগা দুই বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ কাৰণে ক্ৰমে তৰাৰী সমষ্টিৰ বাবে বিশাল প্ৰশান্ত আৰু ৰামগঞ্জ সমষ্টিৰ বাবে অশোক কুমাৰ সিন্‌হাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। একেদৰে কেৰালাৰ বাইনাড সংসদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে নব্যা হৰিদাসক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। মন কৰিবলগীয়া যে অসমৰ ৫টা সমষ্টিত হ'ব লগা উপ-নিৰ্বাচনৰ বাবে চিদলী আৰু বঙাইগাঁও মিত্ৰদল ইউপিপিএল আৰু অগপক এৰি বিজেপিয়ে চামগুৰি, ধলাই আৰু বিহালীত প্ৰতিদ্বন্দ্বিতা কৰিব। এই তিনি সমষ্টিৰ প্ৰাৰ্থী নিৰ্বাচনৰ ক্ষেত্ৰত ৰাজ্যিক বিজেপিয়ে ধলাই আৰু বিহালী সমষ্টিৰ বাবে তিনিজনীয়া পেনেল প্ৰস্তুত কৰাৰ বিপৰীতে চামগুৰি সমষ্টিৰ বাবে দুজনীয়া পেনেল প্ৰস্তুত কৰিছিল। যোৱা ১৩ অক্টোবৰত দলৰ ৰাজ্যিক নিৰ্বাচনী সমিতিয়ে তিনি সমষ্টিৰ প্ৰাৰ্থীৰ পেনেল কেন্দ্ৰীয় নেতৃত্বলৈ প্ৰেৰণ কৰিছিল। দলৰ কেন্দ্ৰীয় নিৰ্বাচনী সমিতিয়ে এই পেনেলৰ পৰাই তিনিটা সমষ্টিৰ বাবে প্ৰাৰ্থী চূড়ান্ত কৰে। ইতিমধ্যে তিনিওটা সমষ্টিৰ বাবে বিজেপিয়ে কেইবাজনো জ্যেষ্ঠ নেতাক দায়িত্ব অৰ্পণ কৰিছে। বিহালী সমষ্টিৰ নিৰ্বাচনী কাম-কাজ তদাৰক কৰিছে মন্ত্ৰী পীযুষ হাজৰিকাই। ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই প্ৰকাশ কৰা অনুসৰি বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া তিনিটা সমষ্টিৰ লগতে মিত্ৰদলৰ দুই সমষ্টিক

( নপৃষ্ঠাত চাওক)

## এন বীৰেন সিঙক মুখ্যমন্ত্ৰী পদৰ পৰা অপসাৰণৰ দাবী জনাই ১৯জন বিধায়কৰ প্ৰধানমন্ত্ৰীলৈ পত্ৰ



ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ উত্তপ্ত মণিপুৰ। উগ্ৰপন্থীয়ে গোষ্ঠীগত সংঘৰ্ষৰে উত্তপ্ত কৰাৰ সমান্তৰালকৈ ৰাজ্যখনৰ ৰাজনীতিও উত্তাল হৈ পৰিছে। মুখ্যমন্ত্ৰী এন বীৰেন সিঙক অপসাৰণৰ দাবীৰে শাসকীয় দল আৰু চৰকাৰৰ ১৯গৰাকী বিধায়কে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ প্ৰেৰণ কৰা পত্ৰ ফাদিল হোৱাৰ পাছতে ৰাজ্যখনৰ ৰাজনীতি উত্তাল হৈ পৰিছে। মুখ্যমন্ত্ৰী এন বীৰেন সিঙৰ বিৰুদ্ধে বিদ্ৰোহ কৰি ১৯গৰাকী বিধায়কে এন বীৰেন সিঙক মুখ্যমন্ত্ৰীৰ পৰা অপসাৰণৰ দাবী জনাই প্ৰধানমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ প্ৰেৰণ কৰা পত্ৰখনত প্ৰথম স্বাক্ষৰ কৰিছে বিধানসভাৰ অধ্যক্ষ থৌকচম সত্যব্ৰত সিঙে। ইয়াৰ পাছতে মন্ত্ৰীদ্বয় বিশ্বজিৎ আৰু ৰাই খেমচান্দ আছে। পত্ৰখনত বিজেপি নেতৃত্বাধীন চৰকাৰখনে ৰাজ্যখনত শান্তি আৰু স্বাভাৱিক অৱস্থা ঘূৰাই আনিবলৈ সক্ষম হোৱা নাই বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰা হৈছে। আনকি ৰাজ্যখনৰ নাগৰিকৰ অধিকাৰকো খৰ্ব কৰি থকা হৈছে বুলি পত্ৰখনত অভিযোগ কৰা হৈছে। ইপিনে মুখ্যমন্ত্ৰীৰ অপসাৰণৰ দাবীত ৰাজ্যৰ ৰাজনীতি উত্তাল হৈ থকাৰ সময়তে জিৰিবাম জিলাত উগ্ৰপন্থীয়ে এখন গাঁৱত বোমা আৰু স্বয়ংক্ৰিয় অস্ত্ৰৰে আক্ৰমণ চলায়। বড়ো বেক্ৰা থানাৰ সমীপত গাঁওবাসীক লক্ষ্য কৰি উগ্ৰপন্থীয়ে নিৰ্বিচাৰ গুলীচালনা কৰাৰ লগতে বোমাৰে আক্ৰমণ চলায়। উগ্ৰপন্থীৰ এই আক্ৰমণৰ সৈতে সংঘৰ্ষত লিপ্ত হৈছে চিআৰপিএফ আৰু আৰক্ষী। দুয়োপেক্ষৰ মাজত তুমুল গুলীয়াগুলী চলি আছে। আনপিনে ঘটনাস্থলীলৈ অতিৰিক্ত নিৰাপত্তা বাহিনী প্ৰেৰণ কৰা হৈছে। নিৰাপত্তা বাহিনীয়ে সংঘৰ্ষস্থলীৰ সমীপৱৰ্তী অঞ্চলৰ পৰা বয়োজ্যেষ্ঠ লোক, মহিলা আৰু শিশুক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰিছে।

## ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰো মৰগীয়া বানচ বৃদ্ধি হ'বঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যিক কৰ্মচাৰীসকলৰ বাবে সুখবৰ। অচিৰেই কেন্দ্ৰীয় চৰকাৰৰ দৰে অসম চৰকাৰৰ বিষয়া-কৰ্মচাৰীসকলৰো মৰগীয়া বানচ বৃদ্ধি হ'ব । সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰা অনুসৰি কেন্দ্ৰীয় চৰকাৰে তেওঁলোকৰ কৰ্মচাৰীসকলৰ বাবে দীপাৱলীৰ প্ৰাক্ষণত ৩ শতাংশ মৰগীয়া বানচ বৃদ্ধিৰ ঘোষণা কৰিছে। ৰাজ্য চৰকাৰেও শীঘ্ৰে ৰাজ্যিক কৰ্মচাৰীসকলক মৰগীয়া বানচ বৃদ্ধি সম্পৰ্কত সিদ্ধান্ত ল'ব। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ মৰগীয়া বানচ বৃদ্ধিৰ লগে লগে ৰাজ্য চৰকাৰেও সমহাৰত মৰগীয়া বানচ বৃদ্ধি কৰি আহিছে। সেই সূত্ৰে ৰাজ্যিক কৰ্মচাৰীসকলৰো মৰগীয়া বানচ অচিৰেই তিনি শতাংশ বৃদ্ধি পাব। বৰ্তমান চৰকাৰী কৰ্মচাৰীসকলে ৫০ শতাংশ মৰগীয়া বানচ লাভ কৰি আহিছে। তিনি শতাংশ মৰগীয়া বানচ বৃদ্ধিৰ লগে লগে মৰগীয়া বানচৰ পৰিমাণ ৫৩ শতাংশলৈ বৃদ্ধি পাব।

# নিৰ্বাচনী সংবাদ মেল



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ ৫ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ আনুষ্ঠানিক অধিসূচনা জাৰি কৰা হৈছে। ইয়াৰ লগে লগে আৰম্ভ হ'ল মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া। অহা ১৩ নৱেম্বৰত অনুষ্ঠিতব্য ধলাই, চিদলী, বঙাইগাঁও, বিহালী, চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰিবলৈ সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে দেশৰ নিৰ্বাচন আয়োগে। এই সন্দৰ্ভত অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে জনতা ভৱনত এখন সংবাদ মেল সম্বোধন কৰে। তেওঁ কয় যে বিগত লোকসভা নিৰ্বাচনত ৰাজ্যৰ ৫ বিধানসভা সমষ্টিৰ বিধায়কসকল সাংসদ হিচাপে নিৰ্বাচিত হোৱাত আৰু তেওঁলোকে বিধায়ক পদ ত্যাগ কৰাৰ ফলত উপ-নিৰ্বাচনৰ প্ৰাসংগিকতা আহি পৰে। যাৰ পৰিপ্ৰেক্ষিতত দেশৰ নিৰ্বাচন আয়োগে এই ৫টা বিধানসভা সমষ্টিত উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। আজিৰে পৰা উপ-নিৰ্বাচনৰ মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু ইয়াৰ অন্তিম দিন হৈছে অহা ২৫ অক্টোবৰ। উল্লেখ্য যে দেশৰ নিৰ্বাচন আয়োগৰ দ্বাৰা ঘোষিত সূচী অনুসৰি অহা ২৮ অক্টোবৰত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হৈছে অহা ৩০ অক্টোবৰ। অহা ১৩ নৱেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত হোৱাৰ পাছত ২৩ নৱেম্বৰত ভোটগণনা কৰা হ'ব। সেইদৰে অহা ২৫ নৱেম্বৰত নিৰ্বাচনী প্ৰক্ৰিয়া সম্পন্ন কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। মুখ্য

(নপৃষ্ঠাত চাওক)

# আজাৰাৰ আয়ুসকল্প চুপাৰস্পেছিয়ে-লিটি বিৰুদ্ধে ৰোগীৰ অভিযোগ

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী মহানগৰীৰ নিকটৱৰ্তী আজাৰাস্থীত আয়ুসকল্প চুপাৰস্পেছিয়েলিটি ক্লিনিকৰ বিৰুদ্ধে উত্থাপন হৈছে গুৰুতৰ অভিযোগ।ভুক্তভোগী লোকজন আজাৰা হীৰাপাৰাৰ ৫০ বছৰীয়া বিজয় দাস। ২০২১ বৰ্ষৰ পৰা বিজয় দাস আক্ৰান্ত হৈ আছিল যকৃতৰ এক জটিল ৰোগত।প্ৰথম অৱস্থাত অসমৰ চিকিৎসক এজনৰ জড়িয়তে চিকিৎসা গ্ৰহণ কৰি আছিল বিজয় দাসে। পিছত উন্নত চিকিৎসাৰ বাবে চেন্নাইলৈ গৈ চিকিৎসা গ্ৰহণ কৰিছিল দাসে। শেষত শেহতীয়াভাৱে তেওঁ ডাঃ প্ৰদীপ কুমাৰ দলেৰ পৰামাৰ্শ লৈ ঔষধ গ্ৰহণ কৰি আছিল। চিকিৎসক গৰাকীৰ ঔষধ গ্ৰহণ কৰিয়েই ৰোগৰ পৰা ক্ৰমান্বয়ে উপশম পাবলৈ আৰম্ভ কৰিছিল বিজয় দাসে। চিকিৎসকৰ পৰামাৰ্শ অনুসৰি প্ৰায়ে Creatinine পৰীক্ষা কৰি আহিছিল দাসে। কিন্তু ইয়াৰ মাজতে আশ্চৰ্যজনক ভাৱে আহিল আজাৰাৰ আয়ুসকল্প চুপাৰস্পেছিয়েলিটি ক্লিনিকৰ ৰিপোৰ্ট। Creatinine 6.9 থকা ৰোগীয়া ব্যক্তিজনৰ আয়ুসকল্প চুপাৰস্পেছিয়েলিটি ক্লিনিকে দিয়া ৰিপোৰ্টত Creatinine পৰীক্ষাৰ ফলাফল আহিল 0.71 । উল্লেখ্য যে 0.71 Creatinine থাকিলে সম্পূৰ্ণ সুস্থ ব্যক্তি হিচাপে বিবেচিত হয় এজন লোক। সেয়েহে আয়ুসকল্পৰ ৰিপোৰ্ট পায় উৎফুল্লিত হয় ৰোগী । ৰিপোৰ্ট লাভ কৰি পুনৰ সাধাৰণ ভাবে

(নপৃষ্ঠাত চাওক)

# অভিনেত্ৰী তমন্না ভাটিয়াক ইডিৰ জেৰা



ৰঙিলী বাৰ্ত্তাসেৱা- মোহময়ী অভিনেত্ৰী তমন্না ভাটিয়াক প্ৰৱৰ্তক সঞ্চালকালয়, চমুকৈ ইডিয়ে গুৱাহাটী মহানগৰীৰ খ্ৰীষ্টান বস্তিস্থিত কাৰ্যালয়ত জেৰা চলায়। অভিনেত্ৰীগৰাকীক ইডিৰ বিষয়ববীয়াই খ্ৰীষ্টানবস্তিৰ কাৰ্যালয়ত মাৰাথন জেৰা অব্যাহত ৰাখিছে। বিশেষ সূত্ৰৰ পৰা জানিব পৰা মতে, বিমানযোগে গুৱাহাটীত পিতৃ সন্তোষ ভাটিয়া আৰু মাতৃ ৰজনী ভাটিয়াৰ সৈতে আহি উপস্থিত হোৱা অভিনেত্ৰী তমন্না ভাটিয়াই পোনে পোনে ইডিৰ কাৰ্যালয়ত উপস্থিত হয়। খ্ৰীষ্টানবস্তিৰ ইডিৰ কাৰ্যালয়ত উপস্থিত হোৱা অভিনেত্ৰীগৰাকী পিতৃ সন্তোষ ভাটিয়াৰ সৈতে জেৰাত উপস্থিত থাকে। অবৈধ এইচ পি জেড টকেন ম'বাইল এপৰ হৈ প্ৰম'চন চলোৱাৰ গুৰুতৰ অভিযোগত মহাৰাষ্ট্ৰ ইডিয়ে পূৰ্বে কেইবাবাৰো অভিনেত্ৰীগৰাকীক চমন জাৰি কৰিছিল। কিন্তু ব্যক্তিগত অসুবিধাৰ দোহাই দি ইডিৰ জেৰাত উপস্থিত হোৱা নাছিল। ইয়াৰ পিছতো মহাৰাষ্ট্ৰৰ চাইবাৰ অপৰাধ কোষেও অভিনেত্ৰীগৰাকীক চমন জাৰি কৰিছিল যদিও তাতেও তেওঁ উপস্থিত নাছিল। অৱশেষত গুৱাহাটীস্থিত ইডিৰ কাৰ্যালয়ত অভিনেত্ৰীগৰাকীয়ে পিতৃৰ সৈতে ইডিৰ জেৰাত উপস্থিত হয়।অভিনেত্ৰীগৰাকীয়ে উক্ত এপটোত প্ৰম'চনৰ বাবে বিজ্ঞাপনত অংশগ্ৰহণ কৰিছিল। অৱশ্যে ইডিৰ বিষয়ববীয়াই জেৰাত কি ধৰণৰ কথা অভিনেত্ৰীগৰাকীক সুধিছে সেই সন্দৰ্ভত বিশেষ জানিব পৰা হোৱা নাই। কিন্তু তাৎপৰ্যপূৰ্ণভাৱে মহাৰাষ্ট্ৰ ইডিয়ে উক্ত এপটো সন্দৰ্ভত অভিনেত্ৰীগৰাকীক চমন জাৰি কৰাৰ পাছত হঠাতে গুৱাহাটীৰ ইডিৰ কাৰ্যালয়লৈ কিয় তেওঁক মাতি আনি জেৰা চলোৱা হ'ল ইয়াক লৈও ৰহস্যৰ সৃষ্টি হৈছে।

# ১৯৭১ চনেই হ'ব বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষঃ উচ্চতম ন্যায়ালয়

ৰঙিলী বাৰ্ত্তাসেৱা- নাগৰিকত্বৰ ভিত্তিবৰ্ষক লৈ গুৰুত্বপূৰ্ণ ৰায়দান উচ্চতম ন্যায়ালয়ৰ। ঐতিহাসিক অসম চুক্তিৰ আধাৰত ১৯৫৫ চনৰ নাগৰিকত্ব আইনত সংযোজিত ৬(ক) ধাৰা সাংবিধানিকভাৱে বৈধ। সকলো জল্পনা- কল্পনাৰ অৱসান ঘটাই মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় নেতৃত্বাধীন পাঁচজনীয়া সাংবিধানিক বিচাৰপীঠে ৪ঃ১ সংখ্যাধিক্যত উক্ত ধাৰাৰ সাংবিধানিক বৈধতা অক্ষুন্ন ৰাখি এক যুগান্তকাৰী ৰায়দান কৰে। সাংবিধানিক বিচাৰপীঠৰ এই ৰায়দানে নাগৰিকত্ব প্ৰদানৰ ভিত্তিবৰ্ষ হিচাপে ১৯৭১ চনৰ ২৫ মাৰ্চৰ বৈধতাও বাহাল ৰাখে। লক্ষণীয়ভাবে পাঁচজনীয়া বিচাৰপীঠৰ চাৰিগৰাকী ন্যায়াধীশ ক্ৰমে মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ সূৰ্য কান্ত, ন্যায়াধীশ এম এম সুন্দ্ৰেশ আৰু ন্যায়াধীশ মনোজ মিশ্ৰই ৬(ক) ধাৰাৰ সাংবিধানিক বৈধতা তথা প্ৰকাৰান্তৰে অসম চুক্তিক মান্যতা প্ৰদান কৰাৰ বিপৰীতে ন্যায়াধীশ জে বি পাৰ্দিৱালাই ভিন্ন মত পোষণ কৰি উক্ত ধাৰাৰ বিৰুদ্ধে ৰায়দান কৰিছে। আনহাতে সাংবিধানিক বিচাৰপীঠৰ সংখ্যাগৰিষ্ঠ বিচাৰকে অসমৰ খিলঞ্জীয়াৰ স্বাৰ্থ আৰু মানৱীয় দৃষ্টিকোণৰ পৰা অনুপ্ৰৱেশকাৰীসকলৰ সমস্যা সমাধানৰ দিশে নাগৰিকত্ব সংশোধনী আইনৰ ৬(ক) ধাৰাই ভাৰসাম্য ৰক্ষা কৰা বুলি ৰায়দান কৰে। উল্লেখ্য যে উচ্চতম ন্যায়ালয়ত দীৰ্ঘদিন ধৰি চলি থকা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ গোচৰৰ সৈতে সাঙোৰ খাই থকা



অসম সন্মিলিত মহাসংঘৰ নাগৰিকত্বৰ ভিত্তিবৰ্ষ সম্পৰ্কীয় আবেদনৰ শুনানি যোৱা বছৰ ডিচেম্বৰ মাহতেই সম্পন্ন হৈছিল। ৫ ডিচেম্বৰৰ পৰা ১২ ডিচেম্বৰলৈকে একেৰাহে গ্ৰহণ কৰা শুনানিৰ পাছত সাংবিধানিক বিচাৰপীঠে সন্মিলিত মহাসংঘই জনোৱা আবেদনৰ ৰায়দান সংৰক্ষিত কৰি ৰাখে। লক্ষণীয়ভাৱে সাংবিধানিক বিচাৰপীঠৰ সকলো বিচাৰকেই অসমৰ অনুপ্ৰৱেশ সমস্যাক লৈ একত্ৰিতভাৱে উদ্বেগ ব্যক্ত কৰিছে যদিও সংখ্যাগৰিষ্ঠ বিচাৰপতিয়ে কেৱল অসমৰ বাবে প্ৰযোজ্য নাগৰিকত্ব আইনৰ ৬(ক) ধাৰাৰ প্ৰয়োজনীয়তাৰ কথাও দোহাৰিছে। ন্যায়াধীশ জে বি পাৰ্দিৱালাৰ বাহিৰে সকলো ন্যায়াধীশে উল্লেখ কৰে যে বাংলাদেশৰ সীমান্তৱৰ্তী আন ৰাজ্যসমূহতকৈ অসমৰ থলুৱা জনসংখ্যাৰ অনুপাতত প্ৰব্ৰজনকাৰীসকলৰ সংখ্যা যথেষ্ট বেছি আছিল। বাংলাদেশ স্বাধীন হোৱাৰ পূৰ্বে অসমত প্ৰৱেশ কৰা ৪০ লাখ বিদেশীৰ প্ৰভাৱ পশ্চিমবংগত সোমোৱা ৫৭ লাখ বিদেশীৰ প্ৰভাৱতকৈ গুৰুতৰ। কাৰণ অসমৰ মাটিকালি পশ্চিমবংগৰ মাটিকালিতকৈ যথেষ্ট কম। সেয়েহে কেৱল অসমৰ বাবে প্ৰযোজ্য কৰাকৈ নাগৰিকত্ব সংশোধনী আইনত ৬(ক) ধাৰাৰ সংযোজন ঘটোৱাটো সম্পূৰ্ণৰূপে যুক্তিসংগত তথা এয়া কোনো অমূলক বিষয় হ'ব নোৱাৰে। বিশেষকৈ ভিত্তিবৰ্ষ

(নপৃষ্ঠাত চাওক)

# যুৱ মৰ্চাৰ "য়ুথ কেন লীড" অভিযানৰ শুভাৰম্ভণি



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় জনতা যুৱ মৰ্চা, অসম প্ৰদেশৰ উদ্যোগত আয়োজিত "য়ুথ কেন লীড" অভিযানৰ শুভাৰম্ভণি হয়। গুৱাহাটীৰ বশিষ্ঠস্থিত ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক কাৰ্যালয় বাজপেয়ী ভৱনৰ সভাগৃহত দলৰ জ্যেষ্ঠ নেতৃত্বৰ উপস্থিতিত শুভাৰম্ভণি অনুষ্ঠানটো আয়োজিত হৈ যায়। উল্লেখযোগ্য যে, ১৮ অক্টোবৰৰ পৰা ২৩ অক্টোবৰলৈ অনুষ্ঠিত হ'ব লগা য়ুথ কেন লীড শীৰ্ষক অভিযানৰ জড়িয়তে অৰাজনৈতিক যুৱ তথা ছাত্ৰ নেতৃত্বক যুৱ মৰ্চাৰ উদ্যোগত এক ক্ষেত্ৰভিত্তিক অধ্যয়ণৰ ব্যৱস্থা কৰা হৈছে। যুৱ মৰ্চাৰ উদ্যোগত ৰাজ্যৰ ভিন্ন জিলাৰ পৰা কেইবা শতাধিক যুৱক যুৱতীয়ে অংশগ্ৰহণ কৰিছে। এই অভিযানৰ যোগেদি এজন যুৱকে গৃহ জিলাৰ পৰা গৈ অন্য এখন জিলাত থাকি সেই জিলাৰ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, ঐতিহাসিক, পৰম্পৰা, লোকাচাৰ, জনসংখ্যাৰ গাঠনি, আদি বিষয় সমূহৰ অধ্যয়ন কৰাৰ উপৰিও বিজেপি নেতৃত্বাধীন কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ দিনত হোৱা কল্যাণকামী কাম কাজ, যুগান্তকাৰী উন্নয়ণ সমূহৰ ওপৰতো তুলনামূলক অধ্যয়ন কৰিব ।উল্লেখযোগ্য যে, এই অভিযানত অংশগ্ৰহণ কৰা যুৱক যুৱতীসকল বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নেতৃত্ব বহনকাৰী, বিভিন্ন অৰাজনৈতিক সংগঠন আদিৰ কৰ্মকৰ্তা। যুৱ মৰ্চাৰ ৰাজ্যিক সভাপতি ৰাকেশ দাসে আদৰণি ভাষণ আগবঢ়োৱা শুভাৰম্ভণি অনুষ্ঠানটোত উপস্থিত থাকে গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি, ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক উপ-সভাপতি জয়ন্ত কুমাৰ দাস, বিজেপিৰ মুখপাত্ৰ ঋতুবৰণ শৰ্মা আৰু যুৱ ইউটিউবাৰ অৱয়ৱ ভুঞা অতিথি হিচাপে উপস্থিত থাকে। সাংসদ বিজুলী কলিতা মেধিয়ে ভাষণ প্ৰসঙ্গত শিক্ষয়িত্ৰী জীৱনৰ পৰা সাংসদলৈ বিস্তৃত জীৱন অভিজ্ঞতা ব্যক্ত কৰে। আনহাতে জ্যেষ্ঠ মুখপাত্ৰ ঋতুবৰণ শৰ্মাই ভাষণত কয় যে, ভাৰতীয় জনতা পাৰ্টীয়ে প্ৰতিষ্ঠা কালৰে পৰা দেশক পৰম বৈভৱশালী স্থানত অধিস্থিত কৰাৰ স্বপ্নৰে কাম কৰি আহিছিল। কাশ্মীৰৰ পৰা পৰা ৩৭০ ধাৰা আতৰোৱা, ৰাম মন্দিৰ নিৰ্মাণৰ সংকল্প ভাৰতীয় জনতা পাৰ্টীয়ে জন্মকালতে লৈছিল। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ দৰ্শন, ইতিহাস, লক্ষ্য উদ্দেশ্যৰ বিষয় উল্লেখ কৰি শৰ্মাই কয় যে, ব্যক্তি নিৰ্মাণৰ জড়িয়তে সমাজ নিৰ্মাণ আৰু সমাজ নিৰ্মাণৰ জড়িয়তে ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে আৰ এছ এছে যোৱা এটা শতিকাজুৰি কাম কৰি আহিছে।

# ডিব্ৰুগড়ত ভাৰত ৰত্ন ড° এ পি জে আব্দুল কালামৰ ওপজা দিন উদ্‌যাপন



ৰঙিলী বাৰ্ত্তাসেৱা- অসম বিজ্ঞান সমিতিৰ ডিব্ৰুগড় শাখা মহিলা কোষৰ উদ্যোগত আৰু নিৰ্মালি উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহযোগত আজি ভাৰত ৰত্ন ড° এ পি জে আব্দুল কালামৰ ওপজা দিন উদযাপন কৰা হয়। এই উদ্দেশ্যে ডিব্ৰুগড় বিজ্ঞান সমিতিৰ সভাপতি ড° ভাৰতী দত্তৰ সঞ্চালনাত ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি, বিশিষ্ট বিজ্ঞানী, ভাৰতৰত্ন ড° এ.পি.জে. আব্দুল কালামৰ ওপজা দিন উদযাপনৰ বাবে এখনি সভা অনুষ্ঠিত হয়। বন্তি প্ৰজ্বলন কৰি সভাৰ শুভাৰম্ভ কৰি বিশিষ্ট পদাৰ্থবিদ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° পৰমানন্দ মহন্তই কালামৰ মাতৃভক্তিকে আদি কৰি তেখেতৰ সহজ - সৰল জীৱনৰ কথা ব্যক্ত কৰে। সভাৰ সমল ব্যক্তি, ডিব্ৰুগড় বিজ্ঞান সমিতিৰ সম্পাদক নাছিৰ চুলতানে কালামৰ জীৱনৰ চিৰসেউজ দৰ্শন, কৰ্ম তথা কৃতিৰ কথা বৰ্ণনা কৰে। বিদ্যালয়ৰ চাৰিগৰাকী ছাত্ৰীয়ে প্ৰাক্তন ৰাষ্ট্ৰপতি গৰাকীৰ জীৱনৰ বিভিন্ন দিশ সম্বলিত বক্তব্য উপস্থাপন কৰি নবীনসকলৰ মাজত কালামৰ আদৰ্শৰ প্ৰসাৰ প্ৰচাৰ কৰাৰ সভাৰ মূল উদ্দেশ্য সিদ্ধ কৰে। নিৰ্মালি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মালবিকা কোঁৱৰে ছাত্ৰী সকলৰ উদ্দেশ্যে ভাৰতৰত্ন গৰাকীৰ অতি (দহ পৃষ্ঠাত চাওক)

# মিৰ্জা আঞ্চলিক ৰাস মহোৎসৱৰ লাইখুটা স্থাপন বিধায়ক হেমাংগ ঠাকুৰীয়াৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অইন বাৰৰ দৰে এইবেলিও পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত মিৰ্জাত অহা ১৫ নৱেম্বৰৰ পৰা ২৫ নৱেম্বৰলৈ এক বৰ্ণাঢ্য কাৰ্যসূচীৰে এঘাৰ দিনীয়াকৈ মিৰ্জা আঞ্চলিক ৰাস মহোৎসৱখনি অনুষ্ঠিত কৰা হ'ব। এই উপলক্ষে আজি এই ৰাস মহোৎসৱৰ লাইখুটা স্থাপন কৰে মিৰ্জা আঞ্চলিক ৰাসক্ৰীড়া উৎসৱ উদযাপন সমিতিৰ এইবেলিৰ সভাপতি তথা বিধায়ক হেমাংগ ঠাকুৰীয়াই। এক মাংগলিক কাৰ্যসূচীৰে লাইখুটা স্থাপন কৰি তেওঁ মিৰ্জা আঞ্চলিক ৰাস মহোৎসৱৰ সফল ৰূপায়ণ হোৱাৰ কামনা কৰে। এই লাইখুটা স্থাপন কাৰ্যসূচীত লগতে কাৰ্যকৰী সভাপতিদ্বয় ৰাহুল দাস পবিত্ৰ কলিতা, সাধাৰণ সম্পাদক ৰাজীৱ ভৰালী, মিৰ্জা আঞ্চলিক ৰঙালী বিহু সন্মিলনীৰ সভাপতি হেমেন চন্দ্ৰ দাস, সম্পাদক দিগন্ত দাস, মিৰ্জা দুৰ্গা পূজা সমিতিৰ সভাপতি ভূপেন কলিতা, সম্পাদক ৰত্ন কান্ত শৰ্মা, মিৰ্জা সুৰেৰী উৎসৱ সমিতিৰ সভাপতি নীৰেন মালীকে বহুকেইজন বিশিষ্ট লোক উপস্থিত থাকে। উল্লেখ যে, এই ৰাস উপলক্ষে এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰ কৰাৰ দিহা কৰা হৈছে। লগতে এই ৰাসৰ সাহায্যাৰ্থে উপহাৰ কুপন খেল অনুষ্ঠিত কৰাৰো সিদ্ধান্ত হৈছিল যদিও মহামান্য আদালতৰ নিষেধাজ্ঞাৰ প্ৰতি লক্ষ্য ৰাখি এই উপহাৰ কুপন খেল বাতিল কৰা হয় বুলি জনায় সাধাৰণ সম্পাদক ৰাজীৱ ভৰালীয়ে। ইতিমধ্যেই এই ৰাস উৎসৱটি উদযাপন কৰিবলৈ সমিতিয়ে ব্যাপক প্ৰস্তুতি হাতত লৈছে।

# সদৌ অসম ছাত্ৰ সন্থাৰ বন্তি প্ৰজ্বলন



ৰঙিলী বাৰ্ত্তাসেৱা- সদৌ অসম ছাত্ৰ সন্থাই ভিত্তবৰ্ষ ১৯৭১ হিচাপে উচ্চতম ন্যায়ালয়ে দিয়া ঐতিহাসিক ৰায়দানক সন্মান জনাই উজান বজাৰস্থিত শ্বহীদ ন্যাসত ৮৫৫ জন শ্বহীদক স্মৰণ কৰি বন্তি প্ৰজ্বলন কৰে। দিল্লীৰ পৰা পোনে পোনে আহি অনুষ্ঠানত অংশ কৰে আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্য, (দহ পৃষ্ঠাত চাওক)

# ঘোচ লৈ হাতে-লোটে গ্ৰেপ্তাৰ হ'ল আবকাৰী বিষয়া



ৰঙিলী বাৰ্ত্তাসেৱা- জনতা ভৱনত ঘোচ লৈ হাতে- লোটে গ্ৰেপ্তাৰ হ'ল আবকাৰী বিষয়া। অভিযুক্ত ঘোচখোৰ আবকাৰী বিষয়াজন পাৰ্থ হাজৰিকা বুলি জানিব পৰা হৈছে। জনতা ভৱনৰ আবকাৰী বিভাগৰ শাখা বিষয়া হিচাপে কৰ্মৰত পাৰ্থ হাজৰিকাই বাৰৰ অনুজ্ঞাপত্ৰৰ বাবে এটা পক্ষৰ পৰা বিচাৰিছিল এক লাখ টকা। সেই অনুসৰি পাৰ্থ হাজৰিকাক উক্ত পক্ষটোৱে ইতিমধ্যে ৪০ হাজাৰ টকা আদায় দিছিল। আবকাৰী বিভাগৰ এই বিষয়াজনৰ ধন দাবী সন্দৰ্ভত ইতিমধ্যে উক্ত পক্ষটোৱে দুৰ্নীতি নিবাৰক সঞ্চালকালয়ত এক অভিযোগ দাখিল কৰিছিল। সেইমৰ্মে দুৰ্নীতি নিবাৰক সঞ্চালকালয়ৰ এটা দলে জনতা ভৱনত অভিযান চলায়। পুৱা প্ৰায় ১১.৩০ বজাত অভিযোগকাৰীয়ে পূৰ্বে দিয়া প্ৰতিশ্ৰুতি অনুসৰি জনতা ভৱনৰ মূল প্ৰৱেশদ্বাৰত ধনৰাশি পাৰ্থ হাজৰিকাৰ হাতত তুলি দিয়াৰ লগে লগে তেওঁক হাতে-লোটে ধৰা পেলায়। অভিযানকাৰী দলে পাৰ্থ হাজৰিকাৰ পৰা ২৪, ৫০০ টকা জব্দ কৰিবলৈ সক্ষম (দহ পৃষ্ঠাত চাওক)

# চামগুৰি সমষ্টিত নিৰ্বাচনী প্ৰচাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বিজেপিৰ পক্ষে ভোট দি উন্নয়নৰ যাত্ৰাৰ অংশীদাৰ হোৱাৰ আহ্বানেৰে মন্ত্ৰী পীযুষ হাজৰিকাই চামগুৰি বিধানসভা সমষ্টিত এক নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে ।পদুমণি পামগাঁৱত পদুমণি আঞ্চলিক সাৰ্বজনীন পূজা মণ্ডপত অনুষ্ঠিত এই সভাত মন্ত্ৰীগৰাকীয়ে চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনত দলৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাক বিপুল ভোটত জয়ী কৰাবলৈ ৰাইজক আহ্বান জনায়। এই সভাত বিধায়ক ক্ৰমে জিতু গোস্বামী আৰু দিগন্ত কলিতা, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য ক্ৰমে সুৰেশ বৰা আৰু জয়ন্ত ডেকা, কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰা, অসম গণ পৰিষদ দলৰ নেতা ক্ৰমে খগেন গায়ন আৰু মাণিক গায়নসহ দলৰ কাৰ্যকৰ্তাসকল উপস্থিত থাকে।

# ৰাজ্যজুৰি অগপৰ ৪০ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন



ৰঙিলী বাৰ্তাসেৱা- ঐতিহাসিক অসম আন্দোলনৰ পৰিসমাপ্তিত গোলাঘাট চহৰত জন্মলাভ কৰা অসমৰ একমাত্ৰ শক্তিশালী আঞ্চলিক ৰাজনৈতিক দল অসম গণ পৰিষদ দলৰ ৪০ সংখ্যক প্ৰতিষ্ঠা দিৱস ৰাজ্যজুৰি উদযাপন কৰাৰ লগতে ডিব্ৰুগড় জিলাৰ চাবুৱাত কেন্দ্ৰীয় ভাৱে বণ্যাধ্য কাৰ্যসূচীৰে পালন কৰা হয়। দলটোৰ ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলা সমিতিৰ সহযোগত আৰু চাবুৱা সমষ্টি সমিতিৰ উদ্যোগত জেৰাই ৰজাচুক খেলপথাত বিশাল দিনযোৰা কাৰ্য্যসূচীৰে আয়োজন কৰা প্ৰতিষ্ঠা দিৱসত ৰাতিপুৱা প্ৰভাতী সংগীত, দলীয় নেতৃত্বক সাংস্কৃতিক শোভাযাত্ৰাৰে আদৰি অনাৰ পিছত দলৰ পতাকা উত্তোলন কৰে দলৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাই। শ্বহীদ তৰ্পণ কাৰ্য্যসূচী মুকলি কৰে কাৰ্য্যকৰী সভাপতি তথা মন্ত্ৰী কেশৱ মহন্তই। শ্বহীদ শ্ৰদ্ধাঞ্জলী অনুষ্ঠানত শ্বহীদ পৰিয়ালক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সতীৰ্থ সোৱঁৰণ কাৰ্য্যসূচী মুকলি কৰে জ্যেষ্ঠ নেতা তথা লোকসভাৰ সাংসদ ফণীভূষণ চৌধুৰীয়ে। কেইবা সহস্ৰাধিক দলীয় সদস্য, বিষয়ববীয়া আৰু শুভাকাঙ্খী ৰাইজৰ উপস্থিতিত অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে সভাপতি অতুল বৰাই। সভাপতিৰ ভাষণ বৰাই অসম গণ পৰিষদৰ প্ৰগতিশীল জাতীয়তাবাদী দৰ্শনে জনসাধাৰণৰ আত্মবিশ্বাস বৃদ্ধিৰ মূল কাৰক। বৰাই কয় যে, জন্মৰ আঁৰত অসম গণ পৰিষদৰ সংগ্ৰাম আৰু ত্যাগ আছে। বৰাই জাতীয় শ্বহীদ সকলক স্মৰন কৰি ডিব্ৰুগড়ৰ চাবুৱাৰ জেৰাই গাঁৱত আয়োজিত অগপৰ ৪০তম প্ৰতিষ্ঠা দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰা সকলোকে শ্ৰদ্ধা জনোৱাৰ লগতে সকলো দলীয় কৰ্মীকে প্ৰতিষ্ঠা দিৱস উপলক্ষে অভিনন্দন জ্ঞাপন কৰে। বৰাই এই ৪০ সংখ্যক প্ৰতিষ্ঠা দিৱসত দলৰ গৌৰৱময় পতাকাৰ তলত থিয় হৈ পুনৰবাৰ অসমৰ জাতীয় জীৱন, জাতীয়তাবাদক শক্তিশালী কৰাৰ অঙ্গীকাৰ প্ৰকাশ কৰে। অসম মাতৃৰ বুকুত আঞ্চলিকতাবাদৰ পতাকা সগৌৰৱেৰে ধৰি অসমৰ ৰাইজৰ বাবে ঐক্যবদ্ধভাৱে কাম কৰাৰ প্ৰতিশ্ৰুতি দোহাৰি বৰাই কয় যে, দলে অসমৰ স্বাৰ্থত জাতীয় চেতনাৰে উদ্বুদ্ধ হৈ অসমৰ ৰাইজক সেৱা কৰি যাব। অসমৰ খিলঞ্জীয়া জনসাধাৰণ সুৰক্ষা আৰু ৰাজ্যখনৰ বিকাশৰ বাবে দলৰ প্ৰতিগৰাকী সদস্য দায়বদ্ধ বুলি উল্লেখ কৰি অসমৰ প্ৰতিটো জাতি জনগোষ্ঠী আৰু ধৰ্মালম্বী লোকৰ মাজত বিশ্বাস আৰু একতাৰ মাজেৰে অসমৰ জাতীয় সমস্যাসমূহ সমাধানৰ বাবে দলে কাম কৰি যাব বুলিও সভাপতি বৰাই মন্তব্য কৰে। দিন বাগৰাৰ লগে লগে আঞ্চলিকতাবাদৰ প্ৰাসংগীকতা আৰু গুৰুত্ব অধিক বৃদ্ধি পাইছে বুলি মতপোষণ কৰি বৰাই সকলো দলীয় সদস্যকে জনসাধাৰণৰ কাষত থাকি দলৰ হকে কাম কৰিবলৈ আহ্বান জনায়। দলৰ কাৰ্য্যকৰী সভাপতি তথা মন্ত্ৰী কেশৱ মহন্তই কয় যে, দলৰ তৃণমূল সদস্যসকল হৈছে দলটোৰ মূল চালিকা শক্তি। দলক সৰ্বস্তৰতে শক্তিশালী কৰা তৃণমূল পৰ্য্যায়ৰ সদস্যসকলৰ ভূমিকা অপৰিসীম বুলি উল্লেখ কৰি মহন্তই

(দহ পৃষ্ঠাত চাওক)

# আছাম ট্ৰিবিউন কাকতৰ সঞ্চালক সুৰজিৎ গোবিন্দ বৰুৱাৰ দেহাৱসান



ৰঙিলী বাৰ্তাসেৱা- 'আছাম ট্ৰিবিউন'ৰ সঞ্চালক সুৰজিৎ গোবিন্দ বৰুৱা আৰু নাই। মহানগৰীৰ নেমকেয়াৰ হাস্পতালত চিকিৎসাধীন অৱস্থাতে সুৰজিৎ গোবিন্দ বৰুৱাই শেষনিশ্বাস ত্যাগ কৰে। যোৱা ২ অক্টোবৰৰ পৰা হাস্পতালখনত তেওঁ চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭২ বছৰ। আগশাৰীৰ সংবাদ গোষ্ঠীটোৰ সঞ্চালক হিচাপে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সংবাদ সেৱাৰ ক্ষেত্ৰখনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়োৱা বৰুৱাৰ বিয়োগত ৰাজ্যৰ সংবাদ জগতত শোকৰ ছাঁ পৰে। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ পিছতে অসংখ্য গুণমুগ্ধই নেমকেয়াৰ হাস্পতালত উপস্থিত হৈ বৰুৱালৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। নেমকেয়াৰ হাস্পতালৰ পৰা তেওঁৰ নশ্বৰদেহ প্ৰথমে ৰাজগড়ৰ ১নং উপ-পথত থকা বাসগৃহলৈ লৈ অহা হয়। ইয়াৰ পিছতে সুৰজিৎ গোবিন্দ বৰুৱাৰ নশ্বৰদেহ এখন পুষ্পসজ্জিত বাহনেৰে চানমাৰিস্থিত আছাম ট্ৰিবিউন কাকতৰ কাৰ্যালয়লৈ লৈ যোৱা হয়। তাত আছাম ট্ৰিবিউন গোষ্ঠীৰ কৰ্মচাৰী তথা সংবাদ কৰ্মী আৰু সাংবাদিকসকলে বৰুৱালৈ অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰে। আছাম ট্ৰিবিউনৰ কাৰ্যালয়ৰ পৰা পোনে পোনে তেওঁৰ নশ্বৰদেহ শিলপুখুৰীৰ নৱগ্ৰহ শ্মশানলৈ নিয়া হয় আৰু পৰিয়াল তথা গুণমুগ্ধৰ উপস্থিতিত শেষকৃত্য সম্পন্ন কৰা হয়। উল্লেখ্য যে ১৯৫২ চনৰ ৮ জুলাইত সুৰজিৎ গোবিন্দ বৰুৱাই জন্মগ্ৰহণ কৰিছিল। তেওঁ সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱাৰ নাতি তথা তুলসী গোবিন্দ বৰুৱাৰ পুত্ৰ। তুলসী গোবিন্দ বৰুৱাৰ মৃত্যুৰ পিছতে তেওঁ অসম বাণী প্ৰাইভেট লিমিটেডৰ সঞ্চালক হিচাপে ১৯৯৫ চনৰ ২৯ ডিচেম্বৰত দায়িত্ব গ্ৰহণ কৰে। পৰৱৰ্তী সময়ত ১৯৯৭ চনৰ ১০ আগষ্টত আছাম ট্ৰিবিউন প্ৰাইভেট লিমিটেডৰ সঞ্চালক ৰূপে দায়িত্ব গ্ৰহণ কৰে। গুৱাহাটী ডনব'স্ক স্কুলত স্কুলীয়া শিক্ষা সাং কৰাৰ পিছত কটন কলেজৰ পৰা কলেজীয়া শিক্ষা লাভ কৰা বৰুৱাই মৃত্যুৰ সময়ত মাতৃ, পত্নী, দুগৰাকী কন্যাসহ অসংখ্য আত্মীয় স্বজনক ইহসংসাৰত এৰি থৈ যায়।

# নুনমাটি অঞ্চলৰ আৰ্থিকভাৱে পিছপৰা ৫০জন অনাথ শিক্ষাৰ্থীৰ মাজত শিক্ষণ সামগ্ৰী- খাদ্য সামগ্ৰী প্ৰদান



ৰঙিলী বাৰ্তাসেৱা- মহানগৰীৰ নুনমাটি অঞ্চলৰ আৰ্থিকভাৱে পিছপৰা আৰু পিতৃ বা মাতৃ নথকা অথবা বিশেষভাৱে সক্ষম লোকৰ অধ্যয়ন কৰি থকা পুত্ৰ কন্যা সকলক শিক্ষণ সামগ্ৰী আৰু খাদ্য সামগ্ৰী যোগান ধৰা হয়। উল্লেখ্য যে আই ৱাই ডি এফৰ উদ্যোগত আৰু আছাম ফ্ল'ৰিষ্ট নামৰ স্বেচ্ছাসেৱী সংস্থাৰ সহযোগত নুনমাটি জাতীয় বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত এক অনুষ্ঠানত শিক্ষাৰ্থী সকলক এই সামগ্ৰী সমূহ প্ৰদান কৰা হয়। অনুষ্ঠানত নুনমাটিৰ ৬ খন শিক্ষানুষ্ঠানৰ মুঠ ৫০ গৰাকী শিক্ষাৰ্থীক সামগ্ৰী যোগান ধৰা হয়। অনুষ্ঠানত আছাম ফ্ল'ৰিষ্ট নামৰ স্বেচ্ছাসেৱী সংস্থাটোৰ সঞ্চালক ৰাজিল হক, নুনমাটি জাতীয় বিদ্যালয়ৰ অধ্যক্ষ নীলচান তৰা বেগমকে ধৰি অন্যান্য সদস্য সকল আৰু শিক্ষাৰ্থী, অভিভাৱক সকল উপস্থিত আছিল।

# অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম বৃদ্ধিৰ বিৰুদ্ধে সৰৱ মনোজ ধানোৱাৰ




ৰঙিলী বাৰ্তাসেৱা-"আন্তঃৰাষ্ট্ৰীয় বজাৰত খাৰুৱা তেলৰ মূল্য হ্ৰাস পোৱাৰ পিচতো বিজেপি চৰকাৰে পেট্ৰ'ল আৰু ডিজেলৰ দাম কমোৱা নাই। ইয়াৰ বিপৰীতে ৰাজ্য চৰকাৰে অসমত পুনৰ পেট্ৰ'লৰ দাম বৃদ্ধি কৰি জনসাধাৰণক মাধমাৰ সোধাইছে। দুৰ্গা পূজাৰ আনন্দ উৎসৱৰ মাজতে ভেট বৃদ্ধি কৰি পুনৰ প্ৰতি লিটাৰত ১ টকা ১ পইচাকৈ পেট্ৰ'লৰ দাম বৃদ্ধি কৰিলে। আমি আম আদমী পাৰ্টিয়ে চৰকাৰৰ এই সিদ্ধান্ত প্ৰত্যাহাৰৰ দাবী জনাইছোঁ।" পেট্ৰ'লৰ মূল্য বৃদ্ধিৰ সিদ্ধান্ত প্ৰত্যাহাৰৰ দাবী জনাই এক প্ৰেছ বিজ্ঞপ্তি যোগে এই প্ৰতিক্ৰিয়া প্ৰকাশ কৰে আপৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰে। চৰকাৰৰ জনবিৰোধী সিদ্ধান্তৰ বিৰুদ্ধে সৰৱ সভাপতি ধানোৱাৰে কয়, " ইন্ধনজাত সামগ্ৰীৰ দাম বৃদ্ধিৰ লগে লগে সকলোধৰণৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম বৃদ্ধি পাব। উৎপাদন আৰু পৰিবহন ব্যয় বৃদ্ধি পাব। ফলত সাধাৰণ মানুহে দৈনন্দিন জীৱনত নানা ধৰণৰ সমস্যাৰ সন্মুখীন হ'ব। ৰাজ্য চৰকাৰে সকলো দিশ চালি জাৰি চাই পেট্ৰ'লৰ মূল্যবৃদ্ধি প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা উচিত। ৰাইজৰ ওপৰত অত্যধিক কৰৰ বোজা জাপি দিয়াৰ সিদ্ধান্ত আপে সমৰ্থন নকৰে।" তদুপৰি, হাজাৰ হাজাৰ কোটি টকাৰ ঋণৰ বোজা বহন কৰিব নোৱৰা ৰাজ্য চৰকাৰে জনসাধাৰণৰ ওপৰত কৰ সন্ত্ৰাস চলোৱা বুলিও অভিযোগ কৰে মনোজ ধানোৱাৰে। বিগত দিনত ৰাজ্যত দৈনন্দিন প্ৰয়োজনীয় সকলো সামগ্ৰীৰ মূল্য বৃদ্ধি পাইছে। মূল্যবৃদ্ধিৰ ৰোধ কৰাৰ ক্ষেত্ৰত ৰাজ্যৰ যোগান বিভাগৰ ব্যৰ্থতাৰ বিৰুদ্ধেও সৰৱ হয় আপ, অসমৰ সভাপতি মনোজ ধানোৱাৰ।

# সময়-শক্তি-শান্তি

মুনিন্দ্ৰ বৈশ্য, ওদালগুৰি




১)সময়

ডুবাইৰ ধনকুবেৰ শ্বেখ বিন ৰছিডক এটা সাক্ষাৎকাৰত সোধা হৈছিল- "আপুনি আপোনাৰ ভৱিষ্যৎ প্ৰজন্মৰ বিষয়ে কি ভাবে?" বিন ৰছিডে মাত্ৰ কেইটামান শব্দ উচ্চাৰণ কৰি এটা অত্যন্ত গুৰুত্বপূৰ্ণ উত্তৰ দিলে- "মোৰ দেউতাই উটত উঠি যাতায়ত কৰিছিল, মই কৰিছোঁ মাৰ্চিডিছত উঠি, মোৰ ল'ৰাই যাতায়ত কৰিছে ৰোলছ ৰয়চত। কিন্তু মোৰ নাতি-পৰিনাতিয়ে আকৌ উটৰ পিঠিত উঠিয়ে যাতায়ত কৰিব লাগিব।"

বিন ৰচিডৰ উত্তৰটোৱে মনত গভীৰ ৰেখাপাত কৰিলে। কিয়নো স্বাৰৰ সা-সম্পত্তিৰ কথা বাদেই দিলোঁ, যিগৰাকী ধনকুবেৰৰ নগদ ধন হিচাপ কৰি শেষ কৰিববৈলে কেইমাহ সময়ৰ দৰকাৰ হ'ব ঠিকনা নাই, সেইজন ধনকুবেৰৰ নাতি-পৰিনাতিয়ে আকৌ বিলাসী গাড়ী এৰি উটৰ পিঠিত উঠি যাতায়ত কৰিবলগীয়া এটা পৰিস্থিতিৰ আবিৰ্ভাৱ হ'ব বুলি ভাবিলে কিয়?

বিশ্লেষণ কৰি দেখিলোঁ- বিন ৰছিডৰ পিতৃৰ সময়চোৱা আছিল অত্যন্ত কঠিন। সেই কঠিন পৰিস্থিতিৰ সৈতে সংগ্ৰাম কৰি কৰি তেৰোঁ শক্তিশালী হৈ উঠিছিল। শক্তিশালী হৈ উঠিছিল বাবেই তেওঁৰ জীৱনটো পূৰ্বৰ তুলনাত কিছু সচ্ছল হৈ পৰিছিল। ফলত ঘৰৰ ঠাইত মহল থিয় হ'ল আৰু উটৰ ঠাই ল'লে বিলাসী মাৰ্চিডিছে। পিতৃয়ে গঢ়ি যোৱা ধনৰ ভৰালত বিন ৰছিডে ইমানেই ধন ভৰালে যে তেওঁৰ পিছৰ কেইবাটাও প্ৰজন্মৰ বাবে কৰিবলৈ আৰু একোৱেই বাকী নাথাকিল। কেৱল বহি বহি খাই থাকিলেই হ'ল। মহলৰ ঠাইত প্ৰাসাদ থিয় হ'ল, মাৰ্চিডিছৰ ঠাই ল'লে ৰোলছ ৰয়ছে। কিন্তু কথাতে কয় নহয় 'সাত ভাখৰিৰ গৰাকীও এদিন লঘণ পৰে' বুলি। সেইবাবেই হয়তো বিন ৰছিডে তেনে এটা সম্ভাৱনীয়তা দেখা পাইছিল। কাৰণ কঠিন সময়ে মানুহক শক্তিশালী কৰি তোলে, শক্তিশালী মানুহে সময়ক সহজ কৰি তোলে আৰু সহজ সময়ে মানুহক অকৰ্মী কৰি তোলে।

ধনকুবেৰ বিন ৰছিডৰ নাতি-পৰিনাতিয়ে উটৰ পিঠিত উঠি যাতায়ত কৰিবলগীয়া পৰিৱেশৰ উদ্ভৱ নহয় নে নহয় সেয়া সময়ে ক'ব, কিন্তু মাটি বেছি ঘটা স্কুতিৰে হিতাধিকাৰী হোৱাৰ প্ৰতিযোগিতাত হেতা-ওপৰা লগোৱা অসমীয়াৰ নাতি-পৰিনাতিসকলে কিন্তু আকৌ চাইকেলৰ পেডেল মাৰিয়েই যাতায়ত কৰিব লাগিব।

২) শক্তি

বহু বছৰ পূৰ্বৰ আমেৰিকাৰ এগৰাকী মানৱ দৰদী ডাক্তৰৰ কথা। তেওঁৰ জীৱনটো ৰোগীৰ নামতে সমৰ্পিত। চৰকাৰী চাকৰিৰ উপৰিও ঘৰে ঘৰে, গাঁৱে গাঁৱে ৰোগী চাই ফুৰে। দিন-ৰাতিৰ চিন নাই, খোৱা-শোৱাৰ আহৰি নাই। এদিনাখনৰ কথা। হস্পিটেলৰ ডিউটি শেষ কৰি আহি ঘৰে ঘৰে ৰোগী চাই ফুৰিলে। ঘৰলৈ আহি বিচনাত পৰোঁতে নিশা বাৰ বাজিল। চিলমিলিয়া টোপনি আহিব ধৰিছিলহে, এনেতে টেলিফোনটো বাজি উঠিল। পত্নীয়ে ফোন ধৰিলে। সিফালৰ পাৰে এগৰাকী মহিলাৰ ক্ৰন্দনৰত কণ্ঠস্বৰ- একমাত্ৰ কেঁচুৱাটোৰ তিৰকঁপে জ্বৰ।

ৰোগী ৰোগীয়েই- দিন-ৰাতি, ঠাণ্ডা-গৰমৰ কথা ভাবিবলৈ ডাক্তৰ চাহাবৰ আহৰি নাই। বেগটো কান্ধত ওলোমাই লৈ তেওঁ ওলাই গ'ল।

দুভাগ ৰাতি, অকলশৰীয়া যাত্ৰা। হঠাৎ বাটত কোনোবাই মাত লগালে "এই ৰাতি ক'লৈ যাব?" ডাক্তৰে উত্তৰ দিলে- কেঁচুৱা এটাৰ বৰ জ্বৰ, চিকিৎসা কৰিবলৈ আহিছোঁ। "লগত ডিয়াচলাই আছে নেকি?" অচিনাকি লোকজনে সুধিলে। আছে বুলি কৈ ডাক্তৰে ডিয়াচলাইটো উলিয়াই দিলে। মানুহজনে চিগাৰেট এটা জ্বলাই ডিয়াচলাইটো ঘূৰাই দিলে। ডাক্তৰ আগবাঢ়িল।

ৰোগী চাই ডাক্তৰ চাহাব উভতি আহিছে। আকৌ সেই মানুহজনক লগ পালে। এইবাৰো তেওঁ ডিয়াচলাই বিচাৰিলে। মানুহজনে চিগাৰেট এটা জ্বলাই ডিয়াচলাইটো ঘূৰাই দিলে। ডাক্তৰ ঘৰলৈ বুলি আগবাঢ়িল। ঘৰ আহি পাওঁতে দুইমান বাজিল।

পুৱা পাঁচমান বজাত ঘৰৰ টেলিফোনটো আকৌ বাজি উঠিল। চিকিৎসালয়লৈ যাব লাগে, ইমাৰজেঞ্চি কেচ। ৰোগীৰ নামত সমৰ্পিত ডাক্তৰ দৌৰা দৌৰিকৈ ওলাই গ'ল।

চৰকাৰী বিষয়া এজনক ডকাইতে লুটপাত কৰি মাৰধৰ কৰিছে, জখম বেছি। ডকাইতটোও ধৰা পৰিছে। ডকাইতটো দেখি ডাক্তৰ চাহাব হতভম্ব। নিশা ৰোগী চাবলৈ যাওঁতে যিজন ব্যক্তিয়ে তেওঁৰ পৰা দুবাৰকৈ ডিয়াচলাই বিচাৰিছিল সেইজনেই এই ডকাইতটো। আচৰিত হৈ ডাক্তৰে সুধিলে- "এখেতক যে তুমি ইমান বেয়াকৈ আঘাত কৰি লুটপাত কৰিলা, গভীৰ নিশা অকলে পায়ো মোক একো নকৰিলা কিয়?" ডকাইতটোৱে ক'লে- "মই সদায় অকলশৰীয়া মানুহকহে লুটপাত কৰোঁ।" "ময়োতো অকলেই আছিলোঁ।"- ডাক্তৰে ক'লে। ডকাইতটোৱে উত্তৰ দিলে- "আপুনি অকলশৰীয়া নাছিল।" ডকাইতৰ কথা শুনি ডাক্তৰ চাহাব চিন্তিত পৰিল।


প্ৰিয় পাঠক আপুনিও চাগে চিন্তাত পৰিছে, নহয় জানো? পিছে পাইছেনে কিবা উত্তৰ? হয়, আপুনি ঠিক উত্তৰে পাইছে; ডাক্তৰ চাহাব অকলশৰীয়া নাছিল। ভগৱানৰ ৰূপ বুলি মানি অহা যি ডাক্তৰে নিজৰ কৰ্মক ধৰ্মৰ দৰে পূজা কৰে আৰু ৰোগীক শিষ্য জ্ঞান কৰে তেওঁ জানো অকলশৰীয়া হ'ব পাৰে?

৩)শান্তি

সংস্থাপন বিচাৰি হাবাথুৰি খোৱা এজন যুৱক। মৰমৰ মাকজনীৰ বাদে তাৰ কোনো নাই। মাকক কেনেকৈ সুখত ৰাখিব পাৰি, নিজেও কেনেকৈ এটা সুৰক্ষিত জীৱন গঢ়িব পাৰি তাৰ চিন্তাত সদাব্যস্ত। এনেতে তাৰ হাতলৈ এটা সুযোগ আহিল, লাভ কৰিলে এটা সম্ভ্ৰান্ত কোম্পানীৰ চাকৰি। দৰমহাকে ধৰি অন্যান্য সুবিধা আকৰ্ষণীয়। যিকোনো নিবনুৱা ল'ৰাই তেনে এটা চাকৰিত চকু মুদি যোগদান কৰিবলৈ ৰাজী। তাৰ পিছতো সি কিন্তু চাকৰিটোত যোগদান কৰিব নে নাই ভাবি নাপালে। লগ-বন্ধুৰ পৰামৰ্শয়ো তাক সন্তুষ্ট কৰিব নোৱাৰিলে। এনেকৈ সঠিক সিদ্ধান্ত বিচাৰি ঘূৰি ফুৰোঁতে চাকৰিত যোগদানৰ অন্তিম তাৰিখ আহি উপস্থিত। উপায়ন্তৰ হৈ সি মাকৰ সৰণাপন্ন হ'ল।

মাকে ক'লে- বাবা, মইতো ইমান কথা নাজানো। ভাল-বেয়া তয়েই চিন্তা কৰি ছা। মই মাথোঁ এটা কথাই ক'ম, মই সদায় ৰাতিপুৱা তোক জগাবলৈ আহি দেখোঁ তই বৰ শান্তিৰে টোপনী যাই থাক। তোৰ নিদ্ৰাৰত মুখখনত নিৰ্মল প্ৰশান্তিৰ সৌন্দৰ্য দেখি মই বৰ সুখ পাওঁ। মই সদায় তোৰ মুখত এই শান্তি চাই থাকিব বিচাৰোঁ। পুতেকে ইমান দিনে বিচাৰি থকা উত্তৰটো পাই গ'ল। আপুনি পালেনে?

# বৰ্ষণমুখৰ ৰাতি



ইভা গন্ধীয়া ফুকন

টোপা -টোপে পৰা বৰষুণৰ শব্দত
জীপাল হয় বৰ্ষণমুখৰ ৰাতি
ৰাতিৰ নদীত নীলা পাল তৰি
আহিছে কোন আন্ধাৰৰ অতিথি
বুকুত দুকুল ভঙা দুখ
কোনে যাচিছে সঁহাৰি
কাৰ বাবে কোন জ্বলে
কান্দে ৰাতিৰ আন্ধকাৰে
আন্ধাৰত অচিনাকি বণিকৰ হাতেৰে
কোনে চিঙি নিয়ে
হৃদয়ৰ কামুক ফুলপাহি
বাঁহী বাজে গোপনে
নিৰলাত জিঞ্জিৰি বাজে লয়লাসে
কেৱল হৃদয়ে হৃদয়ে
ঘিটমিটীয়া আন্ধাৰত
কোনে জানে কাৰ পৰাজয়
জ্বলি উঠে তৰা আৰু
কাঁহ পৰি জীণ যায় ধীৰে ধীৰে
কোন আহে সপোনে শয়নে কোনে জানে
আন্ধাৰেহে হিচাপ ৰাখে
কাৰ অপূৰণ মনৰ নুপুৰ
কোন তামসী ৰাতি বাজে
আন্ধাৰৰ স'তে কৰি হাহাকাৰ
আন্ধাৰত কোন যায়
অলকাপুৰীৰ সপোন কাৰ বিনিনিত খহে
সোণালী পাখিৰে আহি সপোন পৰী
মোৰ সপোনত নামে
ফুল বুটলি ফুৰা হাত দুখনত যেন
ৰূপৰ তৰোৱাল জিলিকি উঠে !!

যোৰাখণ্ডৰ পৰা...

# যুগে যুগে দেৱী মূৰ্তি উপাসনাঃ মমত্ব আৰু দায়িত্ব

জ্যোতি খাটনিয়াৰ



ইয়াত সূৰ্য্য দেৱতাই অতি বেগেৰে আগুৱাই আহিছে। দিনটোৰ আৰম্ভণি ঊষাৰ প্ৰথম কিৰণেৰে হৈছে। সূৰ্য্য দেৱতাই পৃথিৱীলৈ কঢ়িয়াই আনিছে পোহৰৰ বতৰা আৰু নানান সম্ভাৱনা। সূৰ্য্য দেৱতাৰ ৰথৰ বাহন ঘোঁৰা। তেওঁ ৰথখনত বহি আহিছে।

তেওঁৰ অস্তিত্বই সম্ভাৱনা আৰু মহত্ব দুয়োটাকে প্ৰতিনিধিত্ব কৰিছে। একেদৰে আফগানিস্তানৰ ৩৪ খন প্ৰদেশৰ অন্যতম ল'গাৰ প্ৰদেশত উদ্ধাৰ হৈছে বিশাল বৌদ্ধ সংঘৰ অৱশেষ। ৪০ হেক্টৰ অঞ্চলজুৰী সিঁচৰতি হৈ থকা এই বিশাল বৌদ্ধ সংঘসমূহত ৪০০ ৰো অধিক বৌদ্ধ মূৰ্তি পোৱা গৈছে। অঞ্চলটো শিল্প আৰু স্থাপত্যৰ দিশৰ পৰা অতি পুৰণি বুলি ক'ব পাৰি। কাৰণ তাত ৫০০০ বছৰ পুৰণি ব্ৰঞ্জ যুগত ব্যৱহৃত সামগ্ৰী পোৱা গৈছে। এই অঞ্চলৰ বৃহৎ সংখ্যক বাসিন্দা যে এটা সময়ত বৌদ্ধ ধৰ্মালম্বী আছিল তাত কোনো সন্দেহ নাই। উল্লেখ্য যে এই অঞ্চলটোত অতি পুৰণি আৰু সততে উল্লেখ নথকা দেৱ-দেৱীৰ উপাসনা চলিছিল বুলিও ক'ব পাৰি। তাৰ ভিতৰত দিকপালসকল অন্যতম। সূৰ্য্য দেৱতাৰ প্ৰতিমূৰ্তিৰ লগত থকা সংগী দুজনক দিকপাল বুলিও ভাবিব পাৰি। প্ৰথমতে দিকপাল আছিল চাৰি। পাছত এই সংখ্যা দহ বুলি ধৰা হৈছে। শেষত অষ্ট দিকপালৰ ধাৰণা হিন্দু ধৰ্মত স্থায়ী হৈ উঠে । প্ৰাচীন ভাৰতত এগৰাকী অলপ কম উল্লেখ থকা দেৱী হ'ল স্বাহা। স্বাহা অগ্নি দেৱতাৰ পত্নী। যজ্ঞ ৰ সময়ত অগ্নিৰ লগতে স্বাহাৰো নাম উল্লেখ কৰা হয়। চতুৰ্বৰ্গ চিন্তাণি নামৰ এখন গ্ৰন্থত স্বাহাৰ উপাসনাৰ নিৰ্দেশ আছে। স্বাহাৰ এটা মূৰ্তি বৰোডা মিউজিয়ামত পোৱা যায়। এই মূৰ্তিৰ নিৰ্মাণৰ সময় দশম শতিকাৰ ওচৰ- পাজৰ বুলি ভবা হৈছে। তেনেকৈ গণেশৰ পত্নীৰ মূৰ্তিও প্ৰাচীন ভাৰতত আছিল। গণেশৰ পত্নীক বৈনায়কী বুলি কোৱা হয়। তেওঁৰ মূৰ্তি এটা মথুৰা মিউজিয়ামত সংৰক্ষিত হৈ আছে। স্কন্দপুৰাণ আৰু মৎস্যপুৰাণৰ মাতৃকা যোগিনিৰ তালিকাত বৈনায়কীৰ উল্লেখ আছে। মথুৰা মিউজিয়ামত সংৰক্ষিত বৈনায়কিৰ হাত দুখন। বাওঁ হাতত পদুম ফুল। একেদৰে বৰুণৰ দেৱতা বৰুণৰ পত্নীৰ নাম টীকাকাৰ উৎপলে তেওঁৰ বৃহৎ সংহিতাত উল্লেখ কৰিছে। টীকাকাৰ উৎপলে তেওঁৰ নাম বাৰুণী বুলি কৈছে। ঋগবেদত তেওঁ বৰুণাণী বুলি কৈছে। বৰুণৰ একমাত্ৰ মূৰ্তিটো নেশ্বনেল মিউজিয়ামত আছে। এই মূৰ্তি নিৰ্মাণৰ সময় ত্ৰয়োদশ শতিকাৰ প্ৰথম ভাগ। এই দেৱী মূৰ্তি উৎকীৰ্ণ। তেওঁৰ সোঁ হাতত পদুমৰ ঠাৰি । এইবোৰে দেখুৱাইছে যে মূৰ্তিৰ যোগেদি দেৱীৰ উপাসনা বিভিন্ন কাৰণত প্ৰাচীন ভাৰতত চলিছিল। প্ৰাচীন ভাৰতৰ বিভিন্ন পুথিত এই দেৱ-দেৱীবোৰৰ উল্লেখ আছে। এই দেৱ -দেৱীসমূহে প্ৰাচীন ভাৰতৰ মূৰ্তি পূজাৰ নিদৰ্শন আমালৈ এৰি থৈ গৈছে।

ইয়াৰ বিপৰীতে বৌদ্ধ চিন্তাৰ চাৰিটা মহৎ সত্যৰ সৈতে মূৰ্তি উপাসনাৰ বিশেষ সম্পৰ্ক নাই। এই সত্য কেইটা হ'ল অতি সাধাৰণ, কিন্তু গভীৰ উপলব্ধিৰ ওপৰত প্ৰতিস্থিত সত্য। এক, জীৱনত দুখ আছে; দুই, দুখৰ কাৰণ আছে; তিনি, দুখ ৰোধ কৰিব পাৰি ; চাৰি, দুখ ৰোধ কৰাৰ উপায় আছে। ভাৰতীয় শিল্পীসকলে আলোকপ্ৰাপ্তিৰ সময়ত জোনাক নিশাত ধ্যানমগ্ন বুদ্ধক বাধা দিবলৈ অহা মাৰ আৰু তেওঁৰ অসংখ্য সেনানীৰ ৰূপবোৰ কেনে আছিল, সেয়া শিলত কাটি তাহানিয়ে ৰাখিছিল। বুদ্ধক মাৰে বাধা দিবলৈ তেওঁৰ তিনিগৰাকী অসাধাৰণ সুন্দৰী কন্যাক প্ৰেৰণ কৰিছিল। এই কেইগৰাকী আছিল আৰতি, তানহা আৰু ৰাগা। এই মাৰক বুদ্ধই তেওঁৰ স্থিৰতা আৰু অবিচল সত্য সন্ধানী মনেৰে জয় কৰিছিল। আজিৰ পৰা প্ৰায় দুহেজাৰ বছৰ আগেয়ে বৰ্তমানৰ পাকিস্তানৰ অন্তৰ্গত আৰু ভয়ংকৰভাৱে অশান্ত অঞ্চল খাইবাৰ পাখতুনত এই মাৰ, তেওঁৰ তিনিগৰাকী সুন্দৰী কন্যা, অসংখ্য মায়াৱী সেনা ভাৰতীয় শিল্পীসকলে নিৰ্মাণ কৰি উলিয়াইছে। এয়া গান্ধাৰ শিল্প শৈলীৰ অন্তৰ্গত। মাৰ ভয়াবহ আৰু দমনমূলক; ভগৱান গৌতম বুদ্ধ স্থিৰ আৰু প্ৰশান্ত। পৰৱৰ্তী সময়ত বৌদ্ধ উপাসনাৰ সৈতে বিভিন্ন নাৰীক সংলগ্ন কৰি দিয়া হ'ল। এওঁলোক অতি শক্তিশালী আৰু দেৱী মহামায়াৰ ৰূপ বুলিও ক'ব পাৰি। যেনে দেৱী তাৰা। কামাখ্যা মন্দিৰলৈ উঠি যোৱাৰ বাটৰ বাওঁফালে দেৱী তাৰাৰ মন্দিৰ আছে। এই তাৰা দেৱীৰ উপাসনা তিব্বতীয় বৌদ্ধ ধৰ্মৰ এক শক্তিশালী অংগ। দেৱী তাৰাক অমোঘ সিদ্ধি বুলি কোৱা হয়। এই দেৱী বিভিন্ন ৰূপৰ আৰু বিভিন্ন ৰঙৰ অধিকাৰী । দেৱী বজ্ৰযোগিনী আকৌ বৌদ্ধ ধৰ্মৰ আন এগৰাকী শক্তিশালী দেৱী। বৌদ্ধ ধৰ্মত এই সকল দেৱীক স্ত্ৰী - বুদ্ধ ( Female Buddhas) বুলি ধৰা হয়। পাঁচগৰাকী স্ত্ৰী - বুদ্ধক তান্ত্ৰিক বৌদ্ধ উপাসনাত বিশেষ স্থান দিয়া হৈছে। এওঁলোকৰ কাম - কাজো বিভিন্ন ধৰণৰ। সাধক বা উপাসক বা ভক্তক সুৰক্ষিত কৰি ৰখাই এওঁলোকৰ প্ৰধান কৰ্তব্য। মহাযান আৰু বজ্ৰযান বৌদ্ধ পৰম্পৰা অনুসৰণকাৰীসকলৰ বাবে, বিশেষকৈ চীনৰ বৌদ্ধ উপাসকসকলৰ বাবে হাজাৰ বাহুযুক্ত গুৱানয়িন (Thousand - Armed Guanyin)দেৱীৰ বিশেষ ভূমিকা আছে। বৌদ্ধ চিন্তাৰ দেৱীৰ এই ৰূপে দুখ কষ্টৈৰে ভৰা এই সংসাৰৰ শব্দবোৰ অহৰহ শুনি থাকে। তেওঁ সাধাৰণ জনৰ কষ্ট লাঘৰ কৰিব কাৰণে সদায় চেষ্টা কৰি থাকে। সাধাৰণ মানুহক দুখ -কষ্টৰ পৰা আঁতৰাই ৰাখিবলৈ এই দেৱীয়ে সকলো দিশত তেওঁৰ এহেজাৰ বাহু পৰম কৰুণাত মেলি দিয়ে। এই দেৱীয়ে ৰঙা সাজ পৰিধান কৰি পদুম ফুলৰ ওপৰত বহি থাকে। তেওঁৰ চৌপাশে থাকে এক নীলা আভা। যিবিলাক মানুহ আধ্যাত্মিক যাত্ৰাত আগবাঢ়ি যায়, তেওঁলোকক সহায় কৰিবলৈ এই দেৱীৰ ৩৭ খন হাতত থাকে বিভিন্ন পত্ৰ। ইপিনে আকৌ ভিয়েটনামত শিশুৰ সৈতে 'কোৱান - আম' (Quan - Am with Child) নামৰ স্ত্ৰী - বুদ্ধ গৰাকীয়ে সংসাৰী মানুহৰ জীৱনত আনন্দ দিবলৈ শিশুৰ ৰূপত অৱতাৰিত হয়। বৌদ্ধ সত্তাৰ এই দেৱী নাৰীত্ব আৰু মাতৃত্বৰ একত্ৰ প্ৰতীক। এফালে দায়িত্ব, আনফালে মমত্ব।

৪০ নং খণ্ডৰ পৰা...

# উপলব্ধি

পৰিস্মিতা বৰা হাজৰিকা, মাজুলী

চহৰৰ যান্ত্ৰিকতাৰ মাজত পাহৰিয়ে গৈছিল তাই ভাল লগা বোৰ । নিজকে পাহৰাবলৈ তাই দিনে নিশাই ব্যস্ত আছিল কামত । এতিয়া নিজক সময় দিব । ভুল কৰি পেলালে তাই কাৰোবাৰ নামত জীৱনটো উৎচৰ্গা কৰি । মাকৰ শেতা পৰা মুখখনলৈ চাবলৈ তাই সাহস হোৱা নাই। আগৰ দৰে দেউতাকৰ কাষত বহি তাই আব্দাৰবোৰ শুনাবলৈও সাহস নাই তাই ।

বিচনাখনতে কুচি মুচি বহি ৰ'ল তাই অনবৰতে মাকে শুনাই থকা কথাবোৰ বাজি আছিল তাইৰ কানত । গাৱঁৰ তাই লগৰ সকলোৱে খবৰ দিলে মাকে । কাক কলৈ বিয়া দিলে, কোনে কাক আনিলে, কাৰ ঘৰত চাকৰি হ'ল .. ইত্যাদি ইত্যাদি বহুতো কথা। সহজ সৰল মনৰ মানুহ । পৃথিৱীৰ কোনো জটিলতা ভু নোপোৱা মানুহবোৰ দেখি হাঁহি উঠে তাইৰ।

মাজনী, তই উঠাই নাই নেকি ? মাকে তাইক মাতি মাতি একেবাৰেই কাষতে বহেহি। তাই মাকৰ কোলাতে মুৰটো দি শুই পৰিল, নজনাকৈয়ে দুচকুৰে বৈ আহিল চকুলো । মাকে হেপাহেৰে তাইৰ চুলিত হাত ফুৰাই দি ক'লে – শুনচোন মাজনী, দেউতা আৰু মই তোৰ বিয়া কথা ভাবিছোঁ । এইবাৰ তই আমাৰ আশাত চেচা পানী নেধালিবি আই । আমি থকাকৈকে তোৰ একো নহয় । আমি মৰাৰ পিছত তোৰ কি হ'ব আই ? মাকে থোকাথুকি মাতেৰে কথা কেইটা কৈ উচুপি উঠিল। মাজনী, মোমায়েৰে তোৰ বাবে লৰা এটা চাইচে। এইকেইদিনতে আহিব বুলি খবৰ দিছে । লৰাটোৰে বুলে আগতে বিয়া পাতিছিল, কিবা কাৰণত ডিভোৰ্জ হ'ল । লৰাটো অৱশ্য স্বভাৱ চৰিত্ৰ ভাল বুলি কৈছে । একেজাপে মাকৰ কোলাৰ পৰা উঠিল তাই আচৰিত হৈ চালে মাকলৈ। এবাৰ বিবাহ বিচ্ছেদ হোৱা লৰা চাইছে মোমায়েকে তাইৰ বাবে । তাই প্ৰতিবাদ কৰিব খুজাত মাকে পুনৰ ক'লে –তই আপত্তি নকৰিবি আই, তোৰো বয়স হৈছে নহয় । এতিয়া আৰু কোন ভাল লৰা আহিব তোৰ বাবে । আমাৰ ভাগ্যত ভগৱানে সুখ নিদিলে অ' আই । মাক উলাই গ'ল কোঠাটোৰ পৰা । মাকৰ কথাবোৰ শুনি তাই লাহেকৈ আইনাখনৰ সন্মুখত বৈ নিজকে চালে এবাৰ । বহুত দিনেই হ'ল নিজৰ যত্ন লবলৈ এৰাৰ । সন্মুখৰ চুলিখিনি ৰূপোৱালী বৰণ ধৰিছে। কপালখনতো বয়সৰ আচুৰ পৰিছে । আগৰ সেই উজ্জলতা আৰ ঃ নাই তাইৰ গালে মুখে ।

মাক দেউতাকৰ কথা মতেই মোমায়েকে বিহুতে দৰা আনিবলৈ সন্মতি হ'ল । নিৰ্দিষ্ট দিনা আবেলি বগা ৰঙৰ গাড়ী এখন আহি সিহঁতৰ পদুলি মুখত ৰ'লহি। দেউতাক গৈ আলহীক আদৰি আনি বহিবলৈ দিলে। নয়নাই মাকৰ লগত চাহৰ যোগাৰ কৰি আছিল। পৰিয়ালৰ খুৰীয়েক কেইগৰাকীও ব্যস্ত আলহীৰ বাবে জা জলপান যোগাৰ কৰাত । মাকৰ পিছে পিছে নয়নাই চাহৰ ট্ৰে খন লৈ ওলাই আহিল । মোমায়েক দেউতাক আৰু আলহীক চাহ দিবলৈ আহি হতভম্ব হ'ল নয়না । কি দেখিছে তাই । তাইক চাবলৈ সুশান্ত চৌধুৰী আহিছে । কিন্তু প্ৰিয়া কি হ'ল, তাইতো তাই আৰু সুশান্তৰ বিয়ালৈ তাইক নিজে নিমন্ত্ৰণ দিব আহিছিল । তাই আচৰিত হোৱাৰ দৰে সুশান্তও আচৰিত হ'ল । কি যে ভগৱানৰ লীলা।

নয়না, ভালে আছা ? সুশান্তৰ মাতত তালৈ চালে তাই। একেই আছে সুশান্ত । কেৱল চুলিখিনি ৰূপোৱালী বৰন ধৰিছে ।

ওম, ভালেই আছোঁ। আপুনি ? কিন্তু প্ৰিয়াৰ কি হ'ল ? লাহেকৈ সুধিলে তাই ।

ভিনদেউ এওঁলোকে হয়তো আগৰ পৰাই ইজনে সিজনক জানে, গতিকে সকলো কথা খুলা খুলিকৈ পাতি লওক । আমি ভিতৰতে বহি কথা পাতোঁ আহক । মোমায়েক আৰু দেউতাক দুয়ো উঠি গ'ল ভিতৰলৈ ।

আহা নয়না, ইয়াতে বহা । মই সকলো কম তোমাক। কৈ গ'ল সুশান্তৰ জীৱনৰ প্ৰতিটো কথা। প্ৰিয়াই কেনেকৈ তাক নিজৰ প্ৰেমৰ জালত পেলাই বন্দী কৰি ৰাখিছিল সুশান্তক । নয়নাৰ প্ৰতি থকা ভালপোৱা পাহৰাই নিজৰ প্ৰেমত পাগল কৰিলে তাক । তাই প্ৰতিটো চলাহি কথাত ভুল যোৱা সুশান্তই ভুল শুদ্ধ বিচাৰেই কৰিব নোৱাৰিলে আৰু প্ৰিয়াক বিয়া কৰাই মাক দেউতাকৰ পৰা আতৰাই নিয়া প্ৰিয়াই এদিন আতৰি গৈছিল সুশান্তৰ জীৱনৰ পৰাও । এতিয়া অকলশৰীয়া মাক দেউতাকৰ বাবে বোৱাৰী বিচাৰি আহিছে সুশান্ত। কথাবোৰ শুনি আচৰিত হ'ল নয়না । তাইৰ মনৰ প্ৰতিটো কথাই খুলি কৈছিল একমাত্ৰ আপোন বান্ধৱী প্ৰিয়াক আৰু তাইয়ে কাঢ়ি ললে তাইৰ ভালপোৱাক । চলনাময়ী প্ৰেয়সীয়ে অতি নিষ্ঠুৰভাৱে হত্যা কৰিলে সুশান্তৰ ভালপোৱাক । গছকি ফেনেকি হত্যা কৰা জীৱনতো আৰু শেষ হবলৈ দিব নোৱাৰি। দুয়ো বহুপৰ নিৰৱে থাকি তাৰ উমাল বুকুৰ মাজত সোমাই পৰিল কুৰুকি কুৰুকি । প্ৰকৃত প্ৰেমৰ মৃত্যু নাই, সেয়া আজি উপলব্ধি কৰিলে নয়না আৰু সুশান্তই । সঁচা মৰম ভালপোৱাৰ উমান পাই সুশান্তই সাবটি ধৰিলে নয়নাক বুকুৰ মাজত জোৰেৰে । খোৰ জোৰেৰে ।

# সূৰ্য্যৰ অহাৰ বাটেৰে



ময়ূৰী বৰগোহাঁই, নৱম শ্ৰেণী

সূৰ্য্যৰ সন্তান আজি
আকৌ উভতি আহিছে
অগ্নিযুগৰ ফিৰিঙতি হৈ
ডাচকেপিটেলৰ বাটেদি ।
দুহাতত লৈ পল ৰবচনৰ
প্ৰতিবাদৰ জুই আৰু
কাৰ্লমাৰ্ক্সৰ মানচিত্ৰ ।
অতবছৰে নিদ্ৰাৰ কোলাত থকা
মোৰ স্বদেশৰ জণগণে আজি
সাৰ পাই উঠিছে ।
স্বদেশৰ বুকুত সাম্যবাদৰ
পতাকা দিছে উৰোৱায় ।
আৰু মৃত ৰাজপথটোক কৈছে-
'উঠা ৰাজপথ !
অগ্নিস্ফুলিঙ্গ হৈ উঠা ।
সূৰ্য্যৰ সন্তান আহিছে
ডাচকেপিটেলৰ বাটেদি ।'
স্বদেশত আজি আপোচৰ
ৰাজনীতিয়ে বিকিছে জনতাক ।
খিলঞ্জীয়া অসমীয়া জাতিৰ
গান্দাৰেৰে আজি ভৰি পৰিছে
দেশৰ ৰাজনীতি ।
পাহৰি পেলালে সিহঁতে তাহানিতে
জ্যোতি-বিষ্ণুৰ কণ্ঠৰে নিগৰা
শ্ৰমিক-বণুৱাৰ শোষণৰ প্ৰাচীৰ ভাঙি
সাম্ৰাজ্যবাদ আৰু পুঁজিবাদৰ
পণ্য আন্তৰ্জাতিকতা
নাশি গোৱা গীতবোৰ ।
পাহৰি পেলালে সুধাকণ্ঠৰ
কণ্ঠৰে নিগৰা মানৱতাৰ জয়গান,
গণমুক্তিৰ বিপ্লৱী আহ্বান ।
সমাজ আজি দুষ্কৃতিমূলক
মানসিকতা, নিষ্ঠুৰতা, অহমিতা,
স্বেচ্ছাচাৰীতা, ধনতন্ত্ৰবাদী
সমাজ ব্যৱস্থাৰ কায়দা-কৌশলেৰে
ধনী-দুখীয়াৰ বৈষম্য
বিভাজনৰ প্ৰতিফলন ।
সেয়ে আজি সৰ্বহাৰা
স্বৈৰাতন্ত্ৰ তথা সাম্ৰাজ্যবাদী
অপশাসনৰ অৱসানৰ বাবে
জনতা উদ্বুদ্ধ হৈছে ।
স্বদেশত আজি
গণমুক্তিৰ বিপ্লৱী ঢৌ ।
সূৰ্য্যৰ সন্তান আজি
আকৌ উভতি আহিছে
"বাঞ্ছা বিজয়ী আত্মাৰ গৰাকী" হৈ
ডাচকেপিটেলৰ বাটেদি ।
তাহানিতে বিষ্ণুপ্ৰসাদ ৰাভাৰ
কাপ আৰু কণ্ঠৰে নিগৰাৰ দৰে-
"সৰ্বৰ বীজমন্ত্ৰ
গুপুত সাম্যৰ তন্ত্ৰ
আছে গুপুতভাৱে
সেই হৃদয়কমলত
যাৰ হৃদয়ৰ পৰা
বয় সমতাৰ ধাৰা
সমানে সমানে ধুই
পৱিত্ৰ জলত ।"

# সফলতাৰ আন এক নাম -ধৈৰ্য্য




**সংযুক্তা দত্ত**

যদিহে সফল হ'বলৈ থাকে মন তেনেহ'লে অলপ হ'লেও ধৰিবা ধৈৰ্য্য । সকলো কাম কৰিবলৈ আমাক প্ৰয়োজন হয়- ধৈৰ্য্যৰ। আপুনি যদি ধৈৰ্য্য ধৰিব পাৰে তেনেহ'লে আপুনি সকলো পাব। যি সকল লোক প্ৰকৃততে সফল তেওঁলোকৰ হে ধৈৰ্য্য ধৰিব পৰা ক্ষমতা থাকে। কাৰণ সেই সফলতাৰ আঁৰত তেওঁলোকৰ কঠোৰ পৰিশ্ৰম আৰু ধৈৰ্য্য আছিল। আটাইতকৈ কঠিন কাম হ'ল ধৈৰ্য্য ধৰি থাকিব পৰাটোৱে। আপুনি যদি হে ধৈৰ্য্য ধৰিব পাৰে তেনেহ'লে কিন্তু আপোনাৰ নোৱাৰা কাম একো নাই । অকল সফল হ'বৰ কাৰণেই নহয় যিকোনো কাম কৰোঁতে কেৱল ধৈৰ্য্যৰে প্ৰয়োজন ।জীৱনত ভাল কিবা এটা পাবৰ কাৰণে, ভাল কিবা এটা কৰিবৰ কাৰণে কেৱল ধৈৰ্য্যৰে প্ৰয়োজন। ভালবোৰ সদায় অপেক্ষাৰ অন্তত হে আছে । বেঞ্জামিন ফ্ৰেংকলিনে কৈছিল-যি মানুহৰ ধৈৰ্য্য শক্তি আছে, তেওঁৰ অসাধ্য একোৱে নাই ।অৰ্থাৎ বাৰে বাৰে বিফল হোৱাৰ পাছতো ধৈৰ্য্যৰ দ্বাৰা হে সফল হ'ব পাৰিব। কোনোবা এজন মহান দাৰ্শনিকে কৈছিল-সফল হ'বলৈ মন থাকিলে সদায় বিফলতাৰ কাহিনী পঢ়িবা। অৰ্থাৎ বিফলতাৰ কাহিনীৰ দ্বাৰাহে সফলতা প্ৰাপ্তি হয় ।আমি ধৈৰ্য্যৰ দ্বাৰা খংঙো নিয়ন্ত্ৰণ কৰিব পাৰোঁ। যি মানুহৰ খং বেছি সেই মানুহৰ ধৈৰ্য্য কম। গতিকে ধৈৰ্য্যৰ দ্বাৰা আমি সকলো কৰিব পাৰোঁ। যিকোনো কামতে মাত্ৰ ধৈৰ্য্য হেৰুৱাব নালাগে। সেই কাৰণেই কয় - সফলতাৰ আন এক নাম ধৈৰ্য্য।

# স্বাধীন দেশৰ নাৰীবোৰ পৰাধীন কিয় ?

**দেবৰ্ষি গৌতম, বনগাঁও**



সৌ সিদিনা অৰ্থাৎ যোৱা ১৫ আগষ্ট তাৰিখে সমগ্ৰ দেশে বিশ্বৰ সৰ্ববৃহৎ গণতান্ত্ৰিক দেশ হিচাপে ৭৮ তম স্বাধীনতা দিৱস পালন কৰিলে। ইংৰাজৰ অধীনত থকাৰ পিছত দেশে স্বাধীনতা লাভৰ ৭৮ বছৰ পিছত দেশৰ সকলো দিশ সলনি হৈ গৈছে। দেশৰ অৰ্থনৈতিক, ৰাজনৈতিক আদি সকলো ব্যৱস্থাৰ বৃহৎ উন্নতি হোৱা আমি দেখিবলৈ পায় আহিছোঁ। দেশৰ স্বাধীনতাৰ এই সুদীৰ্ঘ সময়ছোৱাত যদি কিবা অধঃপতন হৈছে তেনেহলে সেয়া হল নাৰীৰ সুৰক্ষা আৰু নাৰীৰ স্বাধীনতা। আমাৰ দেশত এনে এটা স্থান নাই যত কোনো নাৰীয়ে সম্পূৰ্ণ মুক্তমনে অকলশৰে বিচৰণ কৰিব পাৰে। দেশৰ প্ৰতিটো প্ৰান্ততে অকলশৰীয়াকৈ যদি কোনো নাৰীয়ে বিচৰণ কৰিবলৈ ওলাই যায় তেনেহলে সেয়া কোনো ক্ষেত্ৰতে সুৰক্ষিত বুলি বিবেচনা কৰিব নোৱাৰি। আমাৰ দেশত নাৰীসকল কেৱল যে ৰাজপথ অথবা ৰাজহুৱা স্থানতে অসুৰক্ষিত তেনে নহয়। নিজৰ ঘৰ অথবা নিজৰ কৰ্মস্থলীটো মহিলা সকল একেবাৰে সুৰক্ষিত নহয়। দেশত বেটি বচাও বেটি পঢ়াও অভিযান চলি থকাৰ লগতে সেয়া এক শ্লোগান হিচাপেও ব্যৱহাৰ কৰা হৈছে। দেশৰ প্ৰথম নাগৰিক হিচাপে এগৰাকী মহিলা দেশৰ সৰ্বোচ্চ আসনত উপনীত হৈছে। কিন্তু তেনে ক্ষেত্ৰতো দেশৰ সাধাৰণ মহিলাৰ পৰা আৰম্ভ কৰি কিশোৰী সকলোলৈকে কোনো সুৰক্ষিত নহয়। নাৰী সুৰক্ষাৰ নামত প্ৰতি বছৰে কোটি কোটি টকা ব্যয় কৰা হয় কিন্তু ইয়াৰ পিছতো কিয় দিনে দিনে মহিলাৰ বিৰুদ্ধে সংঘটিত হোৱা হিংসা বৃদ্ধি পাই আহিছে সেয়া অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন ? যিসকল নিকৃষ্ট মানসিকতাৰ লোকে মহিলাৰ বিৰুদ্ধে হিংসাত্মক কাৰ্যকলাপ সংঘটিত কৰে তেনে লোকসকলৰ এনে হিংসাত্মক কাৰ্যকলাপ প্ৰতিৰোধ কৰিবলৈ উপযুক্ত ব্যৱস্থা গ্ৰহণৰ সময় উকলি যোৱাৰ উপক্ৰম হৈছে। কোনো ভয় অথবা শংকা অবিহনে নিকৃষ্ট মানসিকতাৰ একাংশ লোকে মহিলাৰ বিৰুদ্ধে যিকোনো ধৰণৰ হিংসাত্মক ঘটনা সংঘটিত কৰি মুকলি আকাশৰ তলত ঘূৰি ফুৰে। মহিলাৰ বিৰুদ্ধে অতি নিকৃষ্ট হিংসাত্মক ঘটনা সংঘটিত কৰাৰ পিছতো বহু ব্যক্তিয়ে আইনৰ সুৰুঙা ব্যৱহাৰ কৰি অতি কৌশলেৰে নিজকে নিৰ্দোষী হিচাপে প্ৰতিপন্ন কৰিবলৈ সক্ষম হয়। বহু সময়ত দেখা যায় যে মহিলাৰ বিৰুদ্ধে সংঘটিত হোৱা অপৰাধজনিত ঘটনাৰ লগত জড়িত কোনো ব্যক্তিক পুলিচ প্ৰশাসনে বিচাৰি উলিয়াব নোৱাৰে। ইয়াৰ উপৰিও কিছুমান ঘটনাত প্ৰমাণৰ অভাৱত দোষীক শাস্তিৰ পৰিবৰ্তে মুকলি আকাশৰ তললৈ যোৱাৰ বাবে আদালতে ৰায়দান কৰিবলৈ বাধ্য হৈ পৰে। এনে বিষয়বোৰে নিকৃষ্ট মানসিকতাৰ লোকসকলক যথেষ্ট সাহসী কৰি তোলে। মহিলাৰ বিৰুদ্ধে সংঘটিত হিংসাত্মক ঘটনাৰ বিৰুদ্ধে যি বিচাৰ প্ৰক্ৰিয়া চলোৱা হয় তেনে বিচাৰ প্ৰক্ৰিয়া অতি ক্ষিপ্ৰতাৰে চলাব লাগে যাতে দোষীয়ে নিজে কৰা কৰ্মৰ প্ৰতি অকণমান হলেও অনুশোচনাত দগ্ধ হয়। শাস্তি প্ৰদান কৰাৰ ব্যৱস্থাও

(আঠপৃষ্ঠাত চাওক)

# সময় নহয় যেন এয়া দুঃসময়

**শুৱলা দাস, যোৰহাট**



সময় নহয় যেন এয়া দু:সময়! কেৱল নেতিবাচক খবৰেৰে সমাহাৰ। আজি কিছু দিন ধৰি অহৰহ বেয়া খবৰকেই দেখিবলৈ বা শুনিব লগীয়া হৈছে। হত্যা, লুণ্ঠন, ঠগ-প্ৰৱঞ্চনা, ধৰ্ষণ, নিচাসক্ততা, শোষণ, জালিয়াতি, ঘৰুৱা হিংসা, পাৰিবাৰিক অশান্তি ইত্যাদি ইত্যাদি! উস ইমান বোৰ বেয়া খবৰৰ মাজত যদিও কিছু ইতি বাচক কামো হৈছে, বেয়া খবৰবোৰে এতিয়া মন -মগজু এনেকুৱাকৈ অধিগ্ৰহণ কৰি তুলিছে যেন আমি সেই ভাল খবৰ বোৰৰ পৰা আচ্ছাদ লবকৈও যেন ভাগৰুৱা হৈ পৰিছোঁ। কি মবাইল, কি বাতৰি কাকত, কি দূৰদৰ্শণ সকলোতে কেৱল হাত দিলেই বেয়া খবৰ বোৰৰ অবাধ ৰাজত্ব! উস! ভগৱান! সকলোতে কেৱল অসহিষ্ণুতা! কোনো বয়স, স্থান, জাতি, ধৰ্ম বুলি কথা নাই, সকলোতে অসহিষ্ণুতাই এনেকৈ জাল বান্ধি ছানি ধৰিছে যেন মুক্ত ভাবে উশাহ লোৱাৰ অৱকাশ নাই। দেৱী বুলি পূজা কৰা নাৰী সমাজ আজি তেনেই নিৰাপত্তা হীন। কাকো চিনি ব নোৱাৰি। যেন গাৰ নোমেই শত্ৰু! নৰ মাংসৰ লোভত কিছুমান নৰ পিশাচে আজি কণ মানি ছোৱালী এজনী দেখিলে মৰম কৰিব নেজানে, মাতৃতুল্য মানুহ এগৰাকীক সন্মান কৰিব নেজানে, ভণ্টি / কন্যা তুল্য জীয়ৰী এজনী দেখিলে মৰম, সাহস দেখুওৱাৰ বিপৰীতে সুবিধা পালেই অপকৰ্মত লিপ্ত হৈ হত্যা কৰিবলৈও কুণ্ঠাবোধ নকৰে। ঠগ প্ৰৱঞ্চনাৰ কথা নকলেও সকলোতে দেখি আছোঁ, সকলোকে সহজতে পোৱা ধন লাগে, ফোপালা আভিজাত্যৰ স্বাচ্ছন্দ্যৰ জীৱন লাগে, কেনেকৈ তোক মাৰি মই খাওঁ তাৰ অভিপ্ৰায়তে মগ্ন হৈ থাকে। হত্যাৰ কথা কবলৈ মুখৰ মাত হৰিছে। কোনে কাক হত্যা নকৰে আজি -কালি ? যি পিতৃ-মাতৃ আৰু শিক্ষা গুৰুক ভগৱানৰ ঠাইত ৰখাৰ আমাৰ সমাজত পৰম্পৰা আছিল, সেই ভগৱান তুল্য পিতৃ-মাতৃক নিজ সন্তানে নিৰ্যাতন দিয়ে, হত্যা কৰে ! নিজ শিক্ষাগুৰুক প্ৰহাৰ কৰে, হত্যা কৰে! যাৰ চকুলৈ চাই কথা কোৱাটো, মুখে -মুখে তৰ্ক কৰাটো, ছাঁটো গচকাটোকো নীতি বিৰোধ বুলি গণ্য কৰা হৈছিল সেই খন সমাজৰ এনে বৰ্বৰ অৱস্থা চকুৰে দেখিবলৈ পোৱাটো চৰম বিপৰ্যয়! ইয়াতকৈ বেয়া দিন কি হ'ব পাৰে কল্পনা কৰিবও নোৱাৰি দেখোন! সেই দিনা আকৌ এঠাইত দেখিলোঁ পুত্ৰৰ আতিসহ্য সহিব নোৱাৰি এজন বৃদ্ধ পিতৃয়েও নিজ পুত্ৰক শুই থকা অৱস্থাতে চোকা অস্ত্ৰৰে কাটি হত্যা কৰিলে। মাজে মাজে এনেকুৱা বাতৰিও ওলাই থাকে। ইয়াৰ ওপৰিও পতিয়ে পত্নীক, পত্নীয়ে পতিক, কাটি পেলাই বিভিন্ন কাহিনী সজাটো এতিয়াতো সহজ ঘটনা হৈ পৰিছেগৈ! অন্যহাতে বিদ্যালয়ত পঢ়া দিন বোৰত লগপোৱা লগৰীয়া বিলাকৰ আপোন ভাবৰ কোনো পৰিধি আগতে নাছিল। নিজৰ পৰিয়ালৰ সদস্য বিলাকতকৈও আপোন যেন লগা লগৰীয়া বন্ধু বিলাকৰ মাজত দেখা দিয়া অসহিষ্ণুতাৰ ঘটনাই সমাজখনক একেবাৰেই আতংকিত কৰি তুলিছে। কিমান শত্ৰুতা ৰাখিলে কোনো এজন ছাত্ৰই আন এজনক হত্যা কৰিব পাৰে। এই হিংস্ৰ মনোভাব কেনেকৈ গঢ় লৈ উঠে তাক লৈ চিন্তা কৰি একো উৱাদিহ পাবলৈ নাইকিয়া হৈছে। সঁচাকৈ মানুহৰ এনে হৈছে কিয়? কিয় মানুহ ইমান বৰ্বৰ হৈ গৈছে? তথাকথিত আধুনিক সমাজ ব্যৱস্থাই ইয়াৰ বাবে জগৰীয়া নেকি বাৰু?

এটা সময় আছিল, মানুহে মানুহৰ ছাঁটো গছকিবলৈও সমিহ কৰিছিল। কাৰোবাৰ গাত ভৰিখন লাগিলেও সেৱা কৰিছিল ইজনে সিজনক। ঠাই বিশেষে এতিয়াও আছে। সমাজত নীতি নিয়মবোৰে মানুহক মাৰ্জিত কৰি ৰাখিছিলে।কথা-বতৰা, আচাৰ-ব্যৱহাৰ, ক্ৰিয়া-কালাপ, কৃষি-কৰ্ম, ঘৰুৱা কৰ্ম, নীতি -নিয়ম এই সকলো খিনিয়ে জীৱণ- যাপন প্ৰক্ৰিয়াটো এনেকৈ নিয়ন্ত্ৰণ কৰি আছিল যে গোটেই সমাজ ব্যৱস্থাটোৱেই সন্তুলিত অৱস্থাত আছিল। মানুহৰ প্ৰয়োজনবোৰ কম আছিল, সময়ো আছিল। মন বোৰ সৰল আছিল। পোৱা খিনিতে সন্তোষ আছিল। অযথা দৌৰাদৌৰি সিমান নাছিল। এতিয়া জীৱনত বহুত উন্নত আহিলা, প্ৰযুক্তি, আহিল। প্ৰয়োজনবো সীমা নুহোৱা হ'ল। সময় ইমানেই কম হ'ল যে নিজৰ আপোন মানুহবো খবৰ লবলৈ আহৰি আৰু ইচ্ছা নোহোৱা হ'ল। ঘৰবোৰ ডাঙৰ হ'ল, মন বোৰ সৰু হ'ল। ব্যৱহাৰ্য বস্তু ধেৰ হ'ল কিন্তু মানুহৰ মাজত সমন্ধ কমি আহিল। কাপোৰ বোৰ ধুনীয়া আৰু অত্যাধুনিক হ'ল কিন্তু কাপোৰৰ তলত থকা চৰিত্ৰবোৰ অতি দুৰ্বোধ্য হ'ল। সকলোতে কেৱল আত্মকেন্দ্ৰীক, অন্ধ স্বাৰ্থপৰতা। কোনেও কাকো নেমানে। সকলোতে অসহিযুতা। এনে পৰিস্থিতিত কিবা এটা সৃজনী মূলক কাম কৰাৰ মানসিকতা হ্ৰাস পায়। গভীৰ আশংকাবোধে

*(বাৰপৃষ্ঠাত চাওক)*

**ধাৰাবাহিক গল্প**

# এজন পাগল

**শৈলেন কুমাৰ, মিৰ্জা (কামৰূপ )**



খণ্ড- ৪

হাতীমূৰীয়া পাহাৰত এখন আদিবাসী আশ্ৰম আছে । পাহাৰৰ দাঁতিত নদী এখন লাগি আছে । আদিবাসী আশ্ৰমৰ কিছু শিষ্য খাদ্যৰ সন্ধানত পাহাৰৰ দাঁতিত নামি আহি নৈখনৰ পাৰত এজন অচেতন অৱস্থাত পৰি থকা লোকক প্ৰত্যক্ষ কৰিছে । শিষ্য সকলে ততাতৈয়াকৈ অজ্ঞাত ব্যক্তি জনক আশ্ৰমত লৈ যোৱাৰ যোজাঁ চলাইছে । আশ্ৰমৰ প্ৰধান পুৰোহিত জনৰ ওচৰত তেখেতক লৈ যোৱা হ'ল । ব্যক্তি জনৰ শৰীৰৰ বহু আঘাতৰে ক্ষতবিক্ষত অৱস্থাত আছে । পুৰোহিতে কবিৰাজী বিদ্যাৰ সহায়ত তেখেতক সুস্থ কৰাত লাগি গ'ল। কিছুদিন যোৱাৰ পাছত তেখেতৰ চেতনা ঘুৰি আহিল । চেতনা ঘুৰাই পোৱাত পুৰোহিতে ব্যক্তিজনৰ পৰিচয় বিচাৰিলে । তেতিয়া তেখেতে নিজকে অবিনাশ বৰুৱা বুলি পৰিচয় দিলে আৰু তেখেতৰ লগত ঘটা সমস্ত ঘটনা বিৱৰি ক'লে । দুৰ্বৃত্ত দলৰ কবলৰ পৰা তেওঁ কিদৰে পলাই নদীত জাপ দি কিদৰে তেওঁ নিজকে ৰক্ষা কৰাৰ অপ্ৰাণ চেষ্টা চলাইছে সকলো কথা সমূলি ক'লে। প্ৰতিশোধৰ অগ্নি আৰু অপৰাধীৰ উচিত শাস্তি নোপোৱা লৈকে সি জীয়াই থাকিব বিচাৰিছে । সি জীয়াই আছে নিজকে ন্যায় দিয়াৰ বাবে, কোনোজনৰ প্ৰতি এতিয়া তাৰ হৃদয়ত দয়ামমতা নাই । এতিয়া অপৰাধীৰ প্ৰাণ মানে অবিনাশৰ জীৱন। পুৰোহিত জনে অবিনাশৰ বেদনা বুজিছে। কিন্তু অবিনাশ তুমি বৰ্তমান দুৰ্বল আৰু সিহঁতবোৰ হাতত অজস্ৰ শক্তি তুমি পোনপ্ৰথমে নিজক প্ৰস্তুত কৰা নিজক শক্তিশালী কৰা। তোমাক প্ৰয়োজন সমৰ্পণ আৰু জ্ঞান। জ্ঞানে তোমাক মানৱৰূপী দানৱবোৰক চিনাকি কৰাই দিব আৰু সমৰ্পণৰ দ্বাৰা তুমি যুঁজিবলৈ শক্তি পাবা। শুনা অবিনাশ পৃথিৱীত নিস্বাৰ্থ মানুহ এক শতাংশৰ বিপৰীতে নিৰানব্বৈ শতাংশ স্বাৰ্থলোভী আৰু সেয়া হ'ল মানৱৰ হাতত দানৱৰ কাল ঘণ্টা । প্ৰাণ নাশ কৰি সত্যৰ পোহৰ উজাগৰ কৰাটো হ'ল ধৰ্ম। আজি যুদ্ধ সত্য আৰু অসত্যৰ। অসত্যই আজি সমাজ গ্ৰাস কৰি কিৰিলি পাৰিছে। বন্দীত্বৰ পৰাই নিজক মুকলি কৰি আনকো মুকলি কৰি দিয়াৰ মাৰ্গ প্ৰসাৰ কৰা। দেহবল একত্ৰিত কৰা বিবেক জ্ঞানেৰে তুমি দানৱবোৰৰ স্বাৰ্থত আঘাত কৰা তেতিয়া বিজয় তোমাৰ নিশ্চিত। অপৰাধীৰ লগতে অপৰাধ কৰিবলৈ উচতনি দিয়া সেই উদ্যোগ বোৰ বন্ধ কৰা। মানুহৰ জনসংখ্যা কৌটিৰ ঘৰত কিন্তু কৌটিক নিয়ন্ত্ৰণ কৰে সেই ১ শতাংশ মানুহে। তোমাৰ যুদ্ধ প্ৰকৃততে সেই ১% মানুহৰ লগত। তুমি সাঁজু হোৱা আৰু কালৰূপ ধাৰণ কৰি সিহঁতৰ ওপৰত জপিয়াই পৰা। অস্ত্ৰজ্ঞান আৰু আত্মজ্ঞান লৈ অবিনাশে পুৰোহিতৰ পৰা বিদায় মাগি যুদ্ধৰ শংখনাদ আৰম্ভ কৰিলে।

**আগলৈ....**

# স্বাধীন দেশৰ

এনেধৰণৰ হব লাগে যি শাস্তি প্ৰত্যক্ষ কৰাৰ পিছত অন্য কোনো লোকে এনে কাৰ্য্য সংঘটিত কৰিবলৈ যোৱাৰ আগতে যাতে দহ বাৰ ভাবিবলৈ বাধ্য হয়। যদি মহিলা সকলে স্বাধীনভাবে কোনো এটা স্থানত অকলশৰে ঘূৰিব নোৱাৰে, কোনো মহিলাই যদি সুৰক্ষিত নহয় তেনেহলে সেয়া নিশ্চিতভাৱে প্ৰশাসনিক ব্যৰ্থতা। যিসকল লোকে মহিলাৰ বিৰুদ্ধে হিংসাত্মক ঘটনা সংঘটিত কৰে তেনে লোকসকলো কিন্তু আমাৰ সমাজতে বসবাস কৰা একো একোজন লোক। আমাৰ সমাজত বসবাস কৰা প্ৰতিগৰাকী লোকে কিন্তু নিজৰ নিজৰ মানসিকতা সলনি কৰাৰ সময় আহি পৰিছে। কোনো স্থানত যদি কোনো নিকৃষ্ট মানসিকতাৰ লোকে কোনো মহিলাক অশালীন ব্যৱহাৰ কৰা আমাৰ দৃষ্টিগোচৰ হয় তেনেহলে আমি চেষ্টা কৰিব লাগে যাতে অসহায় সেই মহিলাগৰাকীক সেই স্থানৰ পৰা নিৰাপদে উদ্ধাৰ কৰিব পাৰি। অন্য একো কৰিব নোৱাৰিলেও অন্তত আমি হাতত থকা মোবাইল ফোনটোৰ সহায়ত সেই ঘটনাৰ বিষয়ে তটাতয়াকৈ পুলিচক খবৰ দিব পাৰো। সমাজক লজ্জানত কৰিব পৰা যিকোনো ঘটনাৰ বিৰুদ্ধে আমি প্ৰতিবাদ কৰাটো আমাৰ কৰ্তব্য। যাতে তেনে ঘটনা পুনৰ আমাৰ সমাজত সংঘটিত হবলৈ নাপায়। নাৰীৰ অধিকাৰ, সুৰক্ষা বা স্বাধীনতাৰ বাবে যে কেৱল কোনো সংগঠন নাইবা কিছু সংখ্যক মুষ্টিমেয় লোকেই মাত মাতিব লাগিব তেনে কোনো কথা নাই। নাৰীৰ সুৰক্ষা আৰু নাৰীৰ স্বাধীনতাৰ বাবে সমাজৰ প্ৰতিগৰাকী ব্যক্তিয়ে সজাগ হব লাগে আৰু এক জনজাগৰণ সৃষ্টি কৰিব লাগে। আজি আমি ঘৰত হাত সাৰটি বহি টিভি অথবা বাতৰিত চাই থকা মহিলাৰ বিৰুদ্ধে সংঘটিত হোৱা সেই অপৰাধজনিত ঘটনাৰ বাতৰিবোৰৰ দৰে আপোনাৰ অথবা মোৰ পৰিয়ালটো ভুক্তভোগী হবলৈ বহুত বেছি সময় নালাগিব। প্ৰতিটো পৰিয়ালতে এগৰাকী হলেও মহিলা সদস্য আছে। গতিকে আপুনি আপোনাৰ পৰিয়ালত থকা মহিলা সদস্য গৰাকীৰ সুৰক্ষাৰ স্বাৰ্থতে মহিলাৰ সুৰক্ষা আৰু স্বাধীনতাৰ বাবে সমাজত এক জাগৰণ সৃষ্টিৰ অংশীদাৰ হওক।

# ডিব্ৰুগড়ৰ জিলা উন্নয়ন আয়ুক্ত অনুপ কুমাৰ ব্ৰহ্মৰ সভাপতিত্বত জিলা উন্নয়ন সমিতিৰ চলিত মাহৰ বৈঠক সম্পন্ন



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড় জিলাৰ জিলা উন্নয়ন আয়ুক্ত অনুপ কুমাৰ ব্ৰহ্মৰ সভাপতিত্বত ডিব্ৰুগড় জিলা উন্নয়ন সমিতিৰ অক্টোবৰ মাহৰ বৈঠক ডিব্ৰুগড় জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। বৈঠকত জিলা উন্নয়ন আয়ুক্তগৰাকীয়ে জিলাখনৰ বিভিন্ন বিভাগৰ অধীনত ৰূপায়ন হৈ থকা কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ উন্নয়নমূলক আঁচনিসমূহৰ লগতে অন্যান্য বিভাগীয় কামকাজৰ অগ্ৰগতি সন্দৰ্ভত বিতংভাৱে পৰ্যালোচনা কৰে। কৃষি বিভাগৰ অধীনত ৰূপায়ন হৈ থকা কেইবাটাও ধ্বজাবাহী আচঁনি যেনে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি(পি এম কিষাণ), প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আচঁনি, কিষাণ ক্ৰেডিট কাৰ্ড, ডিব্ৰুগড় জিলাত চৰকাৰে নিৰ্ধাৰণ কৰা নুন্যতম সমৰ্থন মূল্যত ধান ক্ৰয়ৰ অগ্ৰগতি সন্দৰ্ভত বিতংভাৱে বুজ লয়। হস্ততাঁত- বস্ত্ৰশিল্প বিভাগৰ অধীনত স্ব-নিৰ্ভৰ নাৰী পৰ্টেলত শিপিনীৰ নাম পঞ্জীয়ন, সমৰ্থ আচঁনিৰ অধীনত আয়োজিত বিভিন্ন প্ৰশিক্ষণ কাৰ্য্যসূচী সন্দৰ্ভত সবিশেষ বুজ লোৱাৰ লগতে ৰেচম বিভাগৰ অধীনত জিলাখনত এড়ী সূতা, মুগা সূতা আৰু পাট সূতাৰ উৎপাদন সন্দৰ্ভতো জিলা উন্নয়ন আয়ুক্তই বিতংভাৱে পৰ্য্যালোচনা কৰে। একেদৰে উদ্যোগ আৰু বাণিজ্য বিভাগৰ উদ্যোগত ৰূপায়ন হৈ থকা কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ বিভিন্ন ধ্বজাবাহী আচঁনিৰ অগ্ৰগতি সন্দৰ্ভতো বিতংভাৱে আলোচনা কৰা হয়। ইয়াৰোপৰি বৈঠকত পঞ্চায়ত ও গ্ৰামোন্নয়ন, শিক্ষা, জলসিঞ্চন, বিদ্যুৎ, উদ্যোগ-বাণিজ্য, স্বাস্থ্য, জলসম্পদ, জনস্বাস্থ্য- কাৰীকৰি, লোকনিৰ্মাণ (পথ), লোকনিৰ্মাণ (গৃহ), পশুপালন ও পশু চিকিৎসা, মীন আদি বিভিন্ন উন্নয়নী বিভাগৰ কামকাজ আৰু বিভাগীয় আচঁনিৰ অগ্ৰগতি সন্দৰ্ভতো পৰ্য্যালোচনা কৰে।

## নিৰ্বাচনী সংবাদ মেল

নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে পুনৰ কয় যে অহা ১৩ নৱেম্বৰৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৫ বজালৈ ভোটদান প্ৰক্ৰিয়া চলিব। সেইদিনা বিয়লি ৫ বজাৰ ভিতৰত যিসকলে ভোটকেন্দ্ৰলৈ আহি শাৰীত থিয় দিব, তেওঁলোকে ভোটদান কৰিব পাৰিব। ভোটাৰসকলে নিজৰ আধাৰ কাৰ্ড, পান কাৰ্ড, বেংক বা ডাকঘৰৰ ফটোযুক্ত পাছবুক, ড্ৰাইভিং লাইচেঞ্চ, ফটো সংলগ্ন পেন্সনৰ তথ্য, চৰকাৰী পৰিচয় পত্ৰ আদি লগত আনিলেও ভোটদান কৰিব পাৰিব। তেওঁ জানিবলৈ দিয়া মতে উক্ত ৫ বিধানসভা সমষ্টিৰ মুঠ ১, ০৭৮টা ভোটগ্ৰহণ কেন্দ্ৰত গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবৰ বাবে ৯, ১০, ৬৬৫জন যোগ্য ভোটাৰ আছে। লক্ষণীয়ভাৱে এই উপ-নিৰ্বাচন পুনৰ নিৰ্ধাৰণৰ পূৰ্বৰ সমষ্টিৰ ভিত্তিতহে অনুষ্ঠিত হ'ব। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে দিয়া তথ্য অনুসৰি ধলাইত ১, ৯৭, ৬৪২জন, চিদলীত ২, ১৭, ২৩৬জন, বঙাইগাঁৱত ১, ৮২, ৩৫৪জন, বিহালীত ১, ৩২, ৫৭৯জন আৰু চামগুৰি বিধানসভা সমষ্টিত ভোটাৰৰ সংখ্যা ১, ৮০, ৮৫৪জন। সেইদৰে ধলাইত ২০৮টা, চিদলীত ২৭৩টা, বঙাইগাঁৱত ২৪৬টা, বিহালীত ১৫৪টা আৰু চামগুৰিত ১৯৭টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপনৰ ব্যৱস্থা কৰা হৈছে। মন কৰিবলগীয়া যে উক্ত ৫ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি সংশ্লিষ্ট জিলা ক্ৰমে কাছাৰ, চিৰাং, বঙাইগাঁও, বিশ্বনাথ আৰু নগাঁৱত নিৰ্বাচনী আচৰণবিধি বলবৎ কৰা হৈছে। নিৰ্বাচনী প্ৰক্ৰিয়া স্বচ্ছ আৰু নিকাভাৱে সম্পন্ন কৰিবলৈ ইতিমধ্যে সমষ্টিয়ে সমষ্টিয়ে মোতায়েন কৰা হৈছে ফ্লায়িং স্কোৱাড আৰু স্পেচিয়েল ছাৰ্ভিলেঞ্চ টীম। এই সম্পৰ্কত মুখ্য নিৰ্বাচনী বিষয়া গোৱেলে কয় যে নিৰ্বাচনী আচৰণবিধি বলবৎ হোৱা জিলাকেইখনৰ বাবে ৯টা ফ্লায়িং স্কোৱাডৰ আৰু ৯টা স্পেচিয়েল ছাৰ্ভিলেঞ্চৰ দল সাজু কৰি তোলা হৈছে। প্ৰতিটো বিধানসভা সমষ্টিত মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ বিপৰীতে দুগুণ ইভিএম থাকিব বুলিও তেওঁ সদৰী কৰে।

## অসমৰ তিনি বিধানসভা

লৈও ইতিমধ্যে ৰণনীতি প্ৰস্তুত কৰা হৈছে। প্ৰতিটো সমষ্টিৰ নিৰ্বাচনী দায়িত্ব এজনকৈ মন্ত্ৰী, দুজনকে বিধায়ক আৰু এজন জ্যেষ্ঠ নেতাক অৰ্পণ কৰা হৈছে। ইতিমধ্যে প্ৰস্তুত কৰা হৈছে দলৰ এশ শতাংশ ৰণকৌশল। উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ বাবেও ৰাজ্যিক বিজেপিয়ে ইতিমধ্যে প্ৰস্তুত কৰিছে তালিকা। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে প্ৰতিজন মন্ত্ৰী আৰু জ্যেষ্ঠ নেতাই নিৰ্বাচনী প্ৰচাৰ অভিযান চলাব। অৱশ্যে লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ দৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৫ সমষ্টিত মাত্ৰ এখনকৈহে নিৰ্বাচনী সভাত অংশগ্ৰহণৰ সম্ভাৱনা আছে। ঝাৰখণ্ডৰ প্ৰভাৰীৰ দায়িত্বত থকা হেতুকে মুখ্যমন্ত্ৰীগৰাকীয়ে উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানত অতিৰিক্ত সময় দিব নোৱাৰিব বুলিও সদৰী কৰিছে ৰাজ্যিক সভাপতি ভবেশ কলিতাই।

## আজাৰাৰ আয়ুসকল্প

খোৱা বোৱা আৰম্ভ কৰি দিয়ে বিজয় দাসে। পিছে ৰোগত আক্ৰান্ত হৈ থকাৰ বাবে পুনৰ অসুস্থ হৈ পৰে বিজয়। এক মাত্ৰ আয়ুসকল্প চুপাৰস্পেছিয়েলিটি ক্লিনিকৰ বাবে পুনৰ সমস্যাৰ সন্মুখীন হব লগাত পৰে বিজয় দাস। সেয়ে বৰ্তমান এই ক্লিনিক খনৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে ৰোগীৰ আত্মীয় তথা সদৌ অসম যুৱ সংঘ। ৰোগীৰ আত্মীয় তথা সদৌ অসম যুৱ সংঘই শীঘ্ৰে ক্লিনিক খনৰ এই কৰ্মকাণ্ডৰ বিৰুদ্ধে স্বাস্থ্য বিভাগক বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী উত্থাপন কৰিছে। ইফালে ৰাইজৰ মাজতো প্ৰশ্নৰ উত্থাপন হৈছে কি কাৰণত আয়ুসকল্প চুপাৰস্পেছিয়েলিটি ক্লিনিকৰ ৰিপোৰ্ট আহিল এনেকৈ? ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকা আয়ুসকল্প চুপাৰস্পেছিয়েলিটি ক্লিনিক সমূহত স্বাস্থ্য পৰীক্ষাৰ প্ৰকৃত সত্য ৰিপোৰ্ট আহে নে ? এই ক্লিনিকৰ ৰিপোৰ্টে সাধাৰণ ৰাইজক বিপথে পৰিচালিত কৰি মৃত্যু মুখলৈ দিয়া নাইনে ?

## ১৯৭১ চনেই হ'ব বিদেশী

হিচাপে গ্ৰহণ কৰা ১৯৭১ চনৰ ২৫ মাৰ্চৰ দিনটোত বাংলাদেশত মুক্তিযুদ্ধৰ অৱসান ঘটিছিল। উক্ত ধাৰাৰ সংযোজনৰ আঁৰত বাংলাদেশৰ মুক্তিযুদ্ধৰ বিষয়টোও নিহিত হৈ আছিল। সেয়েহে ৬(ক) ধাৰা কেতিয়াও অতি-অন্তৰ্ভুক্ত বা অ-অন্তৰ্ভুক্ত বিষয় হ'ব নোৱাৰে। তদুপৰি মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে ব্যক্ত কৰা ৰায়দানত কোৱা হৈছে যে আবেদনকাৰীয়ে দাবী কৰা মতে এখন ৰাজ্যত ভিন্ন জাতি-জনগোষ্ঠীৰ অনুপ্ৰৱেশে সংশ্লিষ্ট ৰাজ্যখনৰ স্থানীয় ভাষা তথা সাংস্কৃতিক ঐতিহ্য উলংঘা বা উপলুঙা কৰা বুলি সংবিধানৰ ২৯(১) অনুচ্ছেদে কাহানিও ব্যক্ত কৰা নাই। আনকি আবেদনকাৰীয়ে দাঙি ধৰা যুক্তিত অনুপ্ৰৱেশকাৰীয়ে অসমীয়া তথা স্থানীয় ভাষা-সংস্কৃতি বিনষ্ট কৰাৰ কোনো তথ্য-প্ৰমাণো দাঙি ধৰিব পৰা নাই। মন কৰিবলগীয়া যে মুখ্য ন্যায়াধীশ চন্দ্ৰচূড়ে নিজাববীয়াকৈ প্ৰস্তুত কৰা ৰায়দানৰ সমান্তৰালকৈ ন্যায়াধীশ সূৰ্য কান্ত, ন্যায়াধীশ এম এম সুন্দ্ৰেশ, ন্যায়াধীশ মনোজ মিশ্ৰই নিজৰ বাবে আন এক ৰায় প্ৰস্তুত কৰিছে। উক্ত ৰায়দানত ন্যায়াধীশ সূৰ্য কান্তই স্পষ্টকৈ উল্লেখ কৰিছে যে আবেদনকাৰীয়ে দাবী কৰা অনুসৰি ৬(ক) ধাৰা কোনোপধ্যেই সংবিধানৰ প্ৰস্তাৱনাত সন্নিবিষ্ট ভাতৃত্ববোধৰ নীতি উলংঘা কৰা নাই। তেওঁৰ মতে, ভাতৃত্ববোধ সংকীৰ্ণ উপায়েৰে অৰ্জন তথা উপলব্ধি কৰিব নোৱাৰি। এনেকুৱা কেতিয়াও হ'ব নোৱাৰে যে এজনে নিজৰ প্ৰতিৱেশীক নিজে বাছি ল'ব। মুখ্য ন্যায়াধীশ ডিৱাই চন্দ্ৰচূড়ৰ দৰেই ন্যায়াধীশ সূৰ্য কান্তেও আন দুই বিচাৰকৰ ৰায়দান সন্নিবিষ্ট কৰি উল্লেখ কৰিছে যে অনুপ্ৰৱেশে অসমীয়া ভাষা আৰু সংস্কৃতিৰ ওপৰত বিৰূপ প্ৰভাৱ পেলোৱা বুলি আমাৰ ওচৰত কোনো তথ্য কিবা প্ৰমাণ নাই। বৰঞ্চ নাগৰিকত্ব আইনৰ ৬(ক) ধাৰাই ভিত্তি বৰ্ষ নিৰ্ধাৰণেৰে বিদেশীক চিহ্নিত কৰি বহিষ্কাৰ কৰাৰ ব্যৱস্থা প্ৰদান কৰিছে, যাতে ভৱিষ্যতে আন কোনোধৰণৰ আগ্ৰাসনৰ পৰা অসমীয়া ভাষা-সংস্কৃতিক ৰক্ষা কৰিব পাৰি। ন্যায়াধীশ সূৰ্য কান্তৰ ৰায়দানত ১৯৭১ চনৰ পাছত অহা অনুপ্ৰৱেশকাৰীসকলক চিহ্নিত তথা বহিষ্কাৰৰ ক্ষেত্ৰত বিতৰ্কিত আই এম ডি টি আইন বাতিল কৰাৰ সময়ত উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা নিৰ্দেশনা ৰূপায়ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। আনহাতে ন্যায়াধীশ জে বি পাৰ্দিৱালাই অসন্মতি প্ৰদান কৰা ৰায়দানত কোৱা হৈছে যে অসম চুক্তিৰ আধাৰত যি সময়ত নাগৰিকত্ব সংশোধনী আইনত ৬(ক) ধাৰাৰ সংযোজন কৰা হৈছিল সেই সময়ত সেয়া বৈধ আছিল বুলি আমি ভাবিব পাৰোঁ। কিন্তু সময়ৰ সৈতে উক্ত ধাৰাৰ বৈধতা এতিয়া উকলি গৈছে। ন্যায়াধীশ পাৰ্দিৱালাৰ মতে, ১৯৬৬ চনৰ পৰা ১৯৭১ চনৰ ভিতৰত অসমলৈ অহা অনুপ্ৰৱেশকাৰীসকলৰ বাবে প্ৰযোজ্য ৬ ধাৰাৰ জৰিয়তে দৰাচলতে সেই সময়ত অসমৰ প্ৰতিবাদকাৰী ৰাইজক শান্ত কৰাৰ এটা পদক্ষেপহে আছিল। বিশেষকৈ নাগৰিকত্ব প্ৰদানৰ পিছতো দহ বছৰৰ বাবে অনুপ্ৰৱেশকাৰীসকলৰ ভোটদানৰ অধিকাৰ নথকাৰ বিষয়টো এই কথাই প্ৰতীয়মান কৰে যে ৬(ক) ধাৰাৰ উদ্দেশ্য কেৱল এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত অহা অনুপ্ৰৱেশকাৰীসকলক নাগৰিকত্ব প্ৰদান কৰা নাছিল। সেই সময়ত হ'বলগীয়া নিৰ্বাচনী অংকৰ পৰিণামহে আছিল। আন কেইবাটাও যুক্তিৰ সৈতে ন্যায়াধীশ পাৰ্দিৱালাই নাগৰিকত্ব আইনৰ ৬(ক) ধাৰাক সাংবিধানিকভাৱে অবৈধ বুলি ৰায়দান কৰে।

# গুৱাহাটীত আটাছু-টাইপা - আহোম সভা-আহোম সেনাৰ যৌথ ধৰ্ণা কাৰ্য্যসূচী




ৰঙিলী বাৰ্ত্তাসেৱা- সদৌ টাই আহোম ছাত্ৰ সন্থা(আটাছু), টাই আহোম যুৱ পৰিষদ, অসম(টাইপা), আহোম সভা আৰু আহোম সেনাৰ যৌথ উদ্যোগত ছচলত সংগঠন সমূহৰ আটাছুৰ সভাপতি চাও মিলন বুঢ়াগোহাঁই, কাৰ্যকৰী সভাপতি দেৱজিত গগৈ, সাধাৰণ সম্পাদক চাও ভাস্কৰ বৰগোহাঁই, টাইপাৰ চাও দিগন্ত তামুলী, কাৰ্যকৰী সভাপতি চাও ভৃগু হাটিমুৰীয়া, সাধাৰণ সম্পাদক চাও দ্বীপজ্যোতি দুৱাৰা আৰু সদৌ অসম আহোম সভাৰ চাও প্ৰবীন গগৈ, কাৰ্যকৰী সভাপতি চাও ৰব্বুল ফুকন, সাধাৰণ সম্পাদক চাও প্ৰাঞ্জল ৰাজকোৱঁৰ লগতে আহোম সেনাৰ চাও অংকুৰন ফুকন, সাধাৰণ সম্পাদক চাও যুগলজ্যোতি গগৈ আদিৰ নেতৃত্বত ধৰ্না কাৰ্যসূচী ৰূপায়ণ কৰে। টাই আহোম জনগোষ্ঠীক জনজাতিৰ মৰ্যদা আৰু স্বায়ত্ব শাসন প্ৰদান কৰাৰ দাবীত। বিজেপি চৰকাৰ গ'বেক, কেন্দ্ৰীয় চৰকাৰ গ'বৈক আদি ধ্বনি প্ৰদান কৰি উত্তাল কৰি তোলি। যৌথ সংগঠন কেইটাৰ নেতৃবৃন্দয়ে আহোম সকলৰ সমস্যা সমূহৰ ওপৰত বক্তব্য ৰাখে আৰু জনজাতি মৰ্যাদাৰ দাবী তোলে। আনহাতে, আহোম সকলৰ জনজাতিকৰণ সমস্যা সামাধান নকৰিলে অনাগত দিনত অগণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী লোৱাৰ হুংকাৰ দিয়ে। আহোম সংগঠনটোৰ তৰফৰ পৰা এখন দাবী সম্বলিত স্মাৰকপত্ৰ দিছপুৰৰ এচিপিৰ জৰায়তে প্ৰদান কৰে অসমৰ মুখ্যমন্ত্ৰীলৈ।

# সদৌ অসম ছাত্ৰ সন্থাৰ

সভাপতি উৎপল শৰ্মা, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চৰ্জুন হাঙ্গেই। তাৰ পাছতে শ্বহীদ ন্যাসত জয় আই অসম ধ্বনি দি শতাধিক আছু সদস্যই আদৰি আনে তিনিও গৰাকীক। বন্তি প্ৰজ্বলন অনুষ্ঠানত প্ৰায় ১২৫ জন মান আছুৰ সদস্য-সদস্যাই উপস্থিত থাকে। ইয়াৰ পিছতে সাংবাদিকৰ আগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ড° সমুজ্জ্বল ভট্টাচাৰ্য, উৎপল শৰ্মা, চৰ্জুন হাঙ্গে কয় যে- অসম চুক্তি ৰূপায়নৰ ৩০ বছৰৰ পিছত এচামে অসম চুক্তিত থকা বিদেশী বিতাৰণৰ চন তাৰিখ সলাবলৈ চেষ্টা কৰি উচ্চতম ন্যায়ালয়ৰ কাষ চাপিছিল। কিন্তু ১২ বছৰৰ ন্যায়িক যুঁজৰ পিছত ন্যায়ালয়ে প্ৰমাণ কৰিলে অসম চুক্তিৰ যুক্তি যুক্ততা আছে আৰু থাকিব । ন্যায়ালয়ে সিদ্ধান্ত দিলে এতিয়া দায়িত্ব চৰকাৰৰ। বিদেশী খেদিম বুলি কৈ দুয়োখন চৰকাৰ হাত সাৱতি বহি থাকিলে নহ'ব। সময় অনুসৰী কৰ্মসূচী সাজু কৰি বিদেশী বিতাৰণৰ ব্যৱস্থা কৰক চৰকাৰে। এটা ভাল পদক্ষেপ, উচ্চতম ন্যায়ালয়ে এইবাৰ তদাৰক কৰিব বিদেশী খেদিবৰ বাবে চৰকাৰে কি কি পৰিকল্পনা হাতত লৈছে।অসম চুক্তিৰ প্ৰতিটো দফা ৰূপায়ন কৰা হ'লে আজি অসমে বিদেশীৰ বাবে চিন্তা কৰিবলগা নহয় । চৰকাৰে NRC ৰ কথা কৈ দম্ভালি মাৰি থাকিলেই নহ'ব। এতিয়া দায়িত্ব উচ্চতম ন্যায়ালয়ত চৰকাৰে শপতনামা দাখিল কৰি NRC ৰ পুনৰীক্ষণৰ ব্যৱস্থা কৰক ।অৰুণাচলত নতুন নদীবান্ধৰ অনুমোদন সন্দৰ্ভত-আমি উন্নয়ন বিৰোধী নহয়, কিন্তু বৃহৎ নদীবান্ধ বিৰোধী। চৰকাৰে যিমানে লুক ইষ্ট পলিচি সলাই এক্ট ইষ্ট পলিচি কৰক দিল্লীৰ চকু উত্তৰ পূবৰ সম্পদ সমূহৰ ওপৰতেই পৰি থাকিব।উত্তৰ পূবৰ সম্পদ সমূহহে দিল্লীৰ বাবে ৰাষ্ট্ৰীয় সম্পদ, উত্তৰ পূবৰ আমাৰ সমস্যাবোৰ ৰাষ্ট্ৰীয় নহয়। অসমক ধ্বংস কৰিব পৰা নদীবান্ধ মানি লোৱা নহ'ব।

# ৰাজ্যজুৰি অগপৰ ৪০ সংখ্যক

কয় যে, সভাপতি অতুল বৰাৰ নেতৃত্বত অসম গণ পৰিষদ দল এক ঐক্যবদ্ধ শক্তি। অসমৰ প্ৰতিটো জাতীয় বিষয়ত দলে অতি গুৰুত্ব সহকাৰে আৰু ধাৰাবাহিক ভাৱে ভূমিকা গ্ৰহণ কৰি আহিছে। অসম গণ পৰিষদ দল এক আঞ্চলিকতাবাদী দল হলেও দলৰ এক সৰ্বভাৰতীয় দৃষ্টিভংগী আছে। ৰাজ্যখনৰ উন্নয়ণৰ স্বাৰ্থত, ৰাজ্য খনৰ সমস্যাসমূহ সমাধানৰ স্বাৰ্থত সময়ৰ আহ্বান দলে মানি চলিবলগীয়া হৈছে। দলে মূল লক্ষ্য আৰু আদৰ্শৰ পৰা বিচলিত নোহোৱাকৈ আগবাঢ়ি যাবলৈ বদ্ধপৰিকৰ বুলি মহন্তই মন্তব্য প্ৰকাশ কৰে। আদৰণি ভাষণ প্ৰদান কৰে বিধায়ক তথা সাধাৰণ সম্পাদক পোনাকণ বৰুৱাই। উদ্দেশ্য ৰাখ্যা কৰে সাংসদ তথা সাধাৰণ সম্পাদক বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য। মুকলি সভাত দলৰ জ্যেষ্ঠ নেতা তথা সাংসদ ফণীভূষণ চৌধুৰী, প্ৰবীন হাজৰিকা, ভূপেন ৰায়, সুনীল ডেকা, সুনীল ৰাজকোৱঁৰ, তোলন কোৱঁৰ, ড° তপন দাস, জ্যোতিমণি মৰাণ, উপ-সভাপতি কুমাৰ দীপক দাস, পৃথ্বীৰাজ ৰাভা, জ্যোতিষ দাস, তুলসী গগৈ, দিগন্ত শইকীয়া, পুতুল সোণোৱাল, পুতুল বৰুৱা, মামনি বৰা, অপূৰ্ব ভট্টাচাৰ্য্য, বিত্ত সম্পাদক জয়ন্ত খাউণ্ড, বিধায়ক ভবেন্দ্ৰ নাথ ভৰালী, প্ৰাক্তন বিধায়ক প্ৰশান্ত কুমাৰ বৰুৱা, ভাতৃ-ভগ্নী সংগঠনৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি, সাধাৰণ সম্পাদককে ধৰি দলটোৰ সকলো শীৰ্ষ নেতৃত্ব আৰু জিলা সমিতি সমূহ, সমষ্টি সমিতিসমূহৰ বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে। আনহাতে অসম গণ পৰিষদ দলৰ ৪০ সংখ্যক প্ৰতিষ্ঠা দিৱস নলবাৰী, জালুকবাৰী, বৰপেটা, ভৱানীপুৰ-সৰভোগ, বঙাইগাওঁ, গোলাঘাট, যোৰহাট, বোকাখাত, কলিয়াবৰ, নগাওঁ, লখিমপুৰ, বিহপুৰীয়া, মাজুলী, মৰিগাওঁ, বিশ্বনাথ, তেজপুৰ, মঙ্গলদৈ, দলগাওঁ, ছিপাঝাৰ, ছয়গাওঁ, গৌৰীপুৰ, ধুবুৰী, গোৱালপাৰা, দুধনৈ, অভায়াপুৰী, বগুিয়া, কমলপুৰ, শিলচৰ, হাইলাকান্দি, কৰিমগঞ্জ , তামুলপুৰ, ডিমৰীয়া, বৰক্ষেত্ৰী, টিহু, বজালী, হাজো, পলাশবাৰী, বকো, বিলাসীপাৰা আদি বিভিন্ন সমষ্টিত দিনযোৱা কাৰ্য্যসূচীৰে পালন কৰা হয়। দলৰ আমবাৰীস্থ মুখ্য কাৰ্য্যালয়ত নিউ গুৱাহাটী সমষ্টি সমিতিৰ উদ্যোগত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসৰ কাৰ্য্যসূচীত দলৰ পতাকা উত্তোলন কৰে দলৰ সাধাৰণ সম্পাদক মনোজ শইকীয়াই। এই উপলক্ষে মুখ্য কাৰ্য্যালয়ত বিভিন্ন কাৰ্য্যসূচী গ্ৰহণ কৰা হয়। সন্ধিয়ালৈ মুখ্য কাৰ্য্যালয়ৰ লগতে সকলো জিলা আৰু বিধান সভা সমষ্টি সমিতিৰ কাৰ্য্যালয়ত বন্তি প্ৰজ্বলন কৰা হয়।

# সদৌ অসম বাধিৰ অভিভাৱক কল্যাণ সন্থা গঠন



ৰঙিলী বাৰ্ত্তাসেৱা- ১৯ অক্টোবৰত অসম বাধিৰ সন্থাৰ উদ্যোগত অসম বাধিৰ সন্থাৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হোৱা বাধিৰ অভিভাৱক সন্মিলনত ৰাজ্য খনৰ বিভিন্ন প্ৰান্তৰ পৰা আহি উপস্থিত হোৱা শতাধিক বধিৰ অভিভাৱকৰ উপস্থিতিত সদৌ অসম বাধিৰ অভিভাৱক কল্যাণ সন্থা গঠন কৰা হয়। শঙ্কৰ শিলক উপ সভাপতি, আৰু শৰৎ চন্দ্ৰ ডেকাক সাধাৰণ সম্পাদক হিচাপে লৈ এখন ২১ জনীয়া শক্তিশালী সমিতি গঠন কৰা হয়। অসম বাধিৰ সন্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ শৰ্মাই আদৰণি ভাষণেৰে আৰম্ভ কৰা ৰাজ্যৰ বাধিৰ সকলে সম্মুখীন হোৱা জলন্ত সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰে মহী আইৰ দৃষ্টিৰে চোৱা অভিযোগ উত্থাপন কৰি ৰাজ্যখনৰ বাধিৰ অভিভাৱক সকলক মাৰবান্ধি ওলাই আহিবলৈ আহ্বান জনায়। সভাখনত অংশ গ্ৰহণ কৰি সন্থাৰ উপ সভানেত্ৰী স্বৰ্ণলতা পেগু এ আক্ষেপ প্ৰকাশ কৰে। যি সময়ত কেন্দ্ৰৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰে দিব্যঙ্গ সকলৰ উন্নতিৰ ক্ষেত্ৰত সাংকেতিক ভাষাকে ধৰি বিভিন্ন সমস্যা সমাধানৰ বাবে আইন প্ৰণয়ন কৰিছে তেনেসময়তো ৰাজ্য চৰকাৰে দিব্যাংগ সকলক গুৰুত্ব প্ৰদান নকৰাটো ৰাজ্য খনৰ বাবে অতিকৈ উদ্বেগ জনক। এই সভাত অসম বধিৰ সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ শৰ্মা, সংস্থাৰ উপ-সভাপতি স্বৰ্ণলতা পেগু, সক্ৰিয় সদস্য মুকুল দত্ত, উত্তৰ-পূব বধিৰ মহাবিদ্যালয়ৰ অধ্যক্ষা মিতালী ৰয় বৰুৱা, উজনি অসম বাধিৰ সন্থাৰ সভাপতি বিজয় গোহাঁই অসম বধিৰ মহিলা পৰিষদৰ উপ-সভাপতি অনোৱাৰা বেগম আৰু মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰীৰ লগতে ছাত্ৰ- ছাত্ৰীৰ অভিভাৱকসকল উপস্থিত থাকে। সভাত বধিৰ সমাজৰ বিভিন্ন সমস্যাৰ বিষয়ে বিস্তৃত আলোচনাৰ হয়, যেনে চৰকাৰী চাকৰিত বঞ্চনা, নিবনুৱা সমস্যা, বধিৰসকলৰ বাবে ভাট্টাৰ ব্যৱস্থা, বাধিৰ পেঞ্চন আঁচনি, বধিৰসকলৰ বাবে সুলভ মূল্যৰ দোকান খোলাৰ বাবে অনুজ্ঞাপত্ৰ লাভৰ সুযোগ, শিক্ষা, আৰু জনসচেতনতা বিকাশ কাৰ্যসূচী। অনুষ্ঠিত হোৱা অসম বধিৰ সন্থাৰ এই সভাত বধিৰ সমাজৰ প্ৰতি সমৰ্থন আগবঢ়াই অধিকাংশ অভিভাৱকে মূল্যবান ভাষণ আগবঢ়ায়। এই সভাত অভিভাৱকে বধিৰ সকলৰ অধিকাৰ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত সমৰ্থন আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। এই সভাত অসম বাধিৰ সন্থাই আগন্তুক বধিৰ আন্দোলন বিধান সভাৰ উপ নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ বাবে ২৩ নৱেম্বৰ লৈ স্থগিত ৰাখে। এই বিষয়ে আলোচনা কৰিবলৈ অহা ৩ নৱেম্বৰত অসম বাধিৰ সন্থাৰ মুখ্য কাৰ্যালয়ত এক বৃহৎ সভাৰ আহ্বান কৰা হৈছে।

# ঘোচ লৈ হাতে-লোটে

হয়। লগে লগে বিষয়াজনক গ্ৰেপ্তাৰ কৰে। পাৰ্থ হাজৰিকাক জনতা ভৱনৰ পৰা গ্ৰেপ্তাৰ কৰাৰ পাছতেই দুৰ্নীতি নিবাৰক সঞ্চালকালয়ে প্ৰায় ৮ ঘণ্টাজোৰা জেৰা চলায়। এই জেৰাৰ পাছতেই দুৰ্নীতিত অভিযুক্ত বিষয়াজনক তেওঁ বাস কৰা জৰাহৰ নগৰৰ হাউছফেড কমপ্লেক্সতো দুৰ্নীতি নিবাৰক সঞ্চালকালয়ে অভিযান চলায়। এই অভিযানত পাৰ্থ হাজৰিকাৰ ঘৰৰ পৰা কেইবাটাও সন্দেহজনক ফাইল আৰু নগদ ৪৭, ৩০, ৫০০ টকা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। দুৰ্নীতি নিবাৰক সঞ্চালকালয়ে ইতিমধ্যে পাৰ্থ হাজৰিকাৰ বিৰুদ্ধে দুৰ্নীতি প্ৰতিৰোধ ধাৰা ৭(ক)ৰ অধীনত ৭৭/২০২৪ নম্বৰৰ এটা গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

# ডিব্ৰুগড়ত ভাৰত

সৰল জীৱন যাপনৰ আদৰ্শ আৰু অন্যান্য অনুকৰণীয় বিষয়ে আলোচনা আগবঢ়ায়। ডিব্ৰুগড় বিজ্ঞান সমিতিৰ দুগৰাকী কাৰ্যবাহী সদস্য বিপুল খাউণ্ড আৰু অজিত শৰ্মাই প্ৰাক্তন ৰাষ্ট্ৰপতি গৰাকীৰ অনন্য কিছু দিশৰ কথা ব্যক্ত কৰি সকলোকে অভিভূত কৰে। সভানেত্ৰী ড° ভাৰতী দত্তই অতি সাৱলীলভাৱে বিশিষ্ট বিজ্ঞানী গৰাকীৰ জীৱনকৃতিৰ বিষয়ে গুৰুত্বপূৰ্ণ আলোচনা আগবঢ়াই সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে । লগতে তেখেতে স্বৰচিত দুখনি জীৱনী গ্ৰন্থ বিদ্যালয়ৰ পুথিভঁৰালৰ বাবে প্ৰদান কৰে । সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু শলাগ জ্ঞাপন কৰে ডিব্ৰুগড় বিজ্ঞান সমিতিৰ মহিলা কোষৰ আহ্বায়িকা সুদক্ষিণা দাসে । উল্লেখযোগ্য যে বিদ্যালয়ৰ চাৰিগৰাকী ছাত্ৰীয়েও কালামৰ জীৱন সম্পৰ্কত সুন্দৰভাৱে বক্তব্য আগবঢ়ায়।

## ENGLISH NEWS SECTION

# Virat Kohli becomes 4th Indian batter to score 9,000 Test runs



RB News- Virat Kohli has become fourth Indian to score 9,000 Test runs, reaching the milestone after scoring his 53rd run in India's second innings in first Test against New Zealand. Kohli took 197 innings to reach the mark. He's the slowest Indian to reach the milestone, with Rahul Dravid, Sachin Tendulkar and Sunil Gavaskar taking 176, 179 and 192 innings, respectively.

# Sarfaraz Khan hits his maiden Test hundred



RB News-Team India batter Sarfaraz Khan on Saturday hit his maiden hundred in Test cricket off 110 balls in the second innings in the first Test against New Zealand in Bengaluru. Playing his fourth Test match, Sarfaraz also crossed 300 runs in Test cricket.

# Arjun Erigaisi wins WR Chess Masters Cup 2024 in London



RB News- Indian GM Arjun Erigaisi won the prestigious WR Chess Masters Cup 2024 after defeating French GM Maxime Vachier-Lagrave in the final. After Maxime Vachier-Lagrave managed to earn two draws in back-to-back classical games, Arjun Erigaisi got the better of the Frenchman in the Armageddon game, to lift the coveted title in London.

# New Zealand defeat West Indies



RB News- New Zealand defeated West Indies by eight runs in the second semi-final of the Women's T20 World Cup 2024. New Zealand have entered final of the tournament for third time in history. New Zealand scored 128/9 in their 20 overs, with Georgia Plimmer top-scoring with 33 runs. West Indies were restricted to 120/8 following a three-wicket haul by Eden Carson.

# South Africa beat Australia by 8 wickets



RB News- South Africa defeated Australia by eight wickets in semifinal of 2024 Women's T20 World Cup. With the win, South Africa ended Australia's streak of 15 consecutive wins in T20 Women's World Cup. Australia's previous defeat at this competition came in their opening game of 2020 edition against India. This is South Africa's first-ever win against Australia in T20 World Cups.

# Byatikram MASDO initiates Public Opinion for Bharat Ratna to Ratan Tata

Guwahati,RB News- Byatikram MASDO organized a Tribute Paying Ceremony in remembrance of the MEGA ICON - esteemed industrialist and philanthropist Late Ratan Tata at NEDFI House, Dispur, Guwahati on the October 15, 2024, at the NEDFi Auditorium, Guwahati. This event, attended by esteemed citizens, business leaders, social workers, students and followers of the farsighted visionary business tycoon celebrated the life and legacy of a man whose vision and compassion continue to inspire countless lives. Floral Tributes followed by devotional songs and moments of silence to pray for the Moksha of the departed soul created a serene atmosphere. Noted speakers including Sri Shankarlal Goenka, reputed businessman and social worker, Jayanta Das, Area Director, Taj Group Pradip Nath, DGM SIDBI, Manoj Bhajanka, Vice District Governor, Lions International, District 322G, Dr. Mrinmoyee Sarma, Secretary Dipshikha Foundation, Krishna Baruah, Secretary & Commissioner - Panchayat and Rural Development, S.K, Baruah, Executive Director, NEDFI, Ashoke Bharali, Vice Chairman, Assam Mineral Development Corporation, Vikas Goenka, Entreprenuer, Jayshree Ghosh, educationist reflected on Late Ratan Tata's unmatched contributions to the industry with altruistic endeavors side by side. Through his leadership, Tata Group not only transformed India's industrial landscape but also brought about meaningful changes in education, healthcare, and social welfare. His commitment to ethical business practices and corporate social responsibility continues to serve as a model for organizations worldwide. Dr. Saumen Bharatiya, President of Byatikram MASDO, shared, "Ratan Tata's legacy is not just one of industrial prowess, but also of immense compassion and service to humanity. His life exemplifies how business success can go hand in hand with social responsibility. We are honored to have gathered to pay tribute to a man who left an indelible mark on our society." The event concluded with a collective pledge to carry forward his values of integrity, compassion, and service to the community. A resolution



recommending for the highest civilian award of India, "Bharat Ratna" to be awarded posthumously to Ratan Tata, the great personality was moved and endorsed by the August gathering with thunderous applause. Dr. Saumen Bharatiya, President of Byatikram MASDO, informed that a copy of this resolution with the signature of esteemed citizens of Guwahati will be submitted to the appropriate authorities of the Government of Assam and Government of India. Byatikram MASDO extends its deepest gratitude to all attendees for making the ceremony a memorable and meaningful occasion, paying homage to one of India's greatest icons.

# প্ৰ'টিন আৰু মানৱ দেহ




**বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও**

মানৱ শৰীৰত প্ৰ'টিনৰ গুৰুত্ব অসীম। শৰীৰৰ বৃদ্ধি আৰু পুনৰ গঠনৰ বাবে প্ৰ'টিনৰ প্ৰয়োজন। সেয়ে প্ৰ'টিন থকা খাদ্যবস্তুবোৰক সাধাৰণতে "শৰীৰ বৰ্দ্ধক খাদ্য" বুলি কোৱা হয়। শৰীৰত প্ৰ'টিনৰ অভাৱ হ'লে শাৰীৰিক বৃদ্ধি বাধা প্ৰাপ্ততা, মুখফুলা, চুলি বিবৰ্ণ হোৱা, চালৰ বেমাৰ আৰু পেটচলা ৰোগত ভুগিব পাৰে।

আমাৰ শৰীৰে ৰোগ প্ৰতিৰোধ কৰাৰ বাবে অৰ্থাৎ ৰোগ সৃষ্টিকাৰী বেক্টেৰিয়া, ভাইৰাছ আদিৰ বিৰুদ্ধে যুদ্ধ কৰি আমাৰ শৰীৰ সুস্থ কৰি ৰাখিবলৈ যি এন্টিবডি গঠন কৰে সেই এন্টিবডি গঠনত প্ৰক্সটিনে বিশেষ ভূমিকা গ্ৰহণ কৰে। শৰীৰত ৰাসায়নিক বিক্ৰিয়া সংঘটিত কৰিবলৈ যি এনজাইমৰ প্ৰয়োজন সেই এনজাইম প্ৰ'টিনেই তৈয়াৰ কৰে। প্ৰ'টিনে শৰীৰক শক্তিৰ যোগান ধৰে। শিশু অৱস্থাত যিমান প্ৰ'টিনৰ প্ৰয়োজন হয় প্ৰাপ্তবয়স্ক অৱস্থাত সেই পৰিমাণ কিছু কমি যায়। একেবাৰেই কম হ'লে আকৌ অভাৱজনিত ৰোগত ভুগিব লগাত পাৰে। উদ্ভিদ আৰু প্ৰাণী দুয়ো উৎসৰ পৰাই প্ৰ'টিন পাব পাৰি। উদ্ভিদৰ পৰা পোৱা প্ৰ'টিন সমৃদ্ধ খাদ্য হৈছে বিভিন্ন ধৰণৰ দাইল, বাদাম, চাউল, আটা, গম, চয়াবীন আদি। প্ৰাণীজ প্ৰ'টিন সমৃদ্ধ খাদ্য হৈছে কণী, মাছ-মাংস, গাখীৰ আদি।

প্ৰ'টিন এটা জটিল অনু। প্ৰ'টিন সাধাৰণতে ২০ টা ভিন্ন এমিনো এচিডৰে গঠিত, যিবোৰক জীৱনৰ গঠনমূলক প্ৰতিৰোধক বুলি ক'ব পাৰি। প্ৰ'টিনৰ গঠন আৰু কাৰ্যক্ৰমণিকাত এমিন' এচিডে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আমেৰিকাৰ জৈৱ ৰাসায়নবিদ ডেভিদ বেকাৰে কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰ কৰি আন প্ৰ'টিনতকৈ পৃথক আৰু সম্পূৰ্ণ নতুন প্ৰ'টিন ডিজাইন কৰিবলৈ সক্ষম হয়। তেওঁৰ গৱেষক দলে ঔষধ, ভেকচিন, নেন'মেটেৰিয়েল আৰু ক্ষুদ্ৰ চেন্সৰ হিচাপে ব্যৱহাৰ কৰিব পৰা প্ৰ'টিনকে ধৰি বহু মূল্যৱান প্ৰ'টিন সৃষ্টি আৰু উৎপাদন কৰি আহিছে। অতি আনন্দৰ কথা বেকাৰৰ অন্যতম সহযোগী বিজ্ঞানী আছিল অসমৰ সু-সন্তান ড° ৰুবুল মাউত। ২০২৪ বৰ্ষৰ ৰসায়ন বিজ্ঞানৰ ন'বেল বঁটা আগবঢ়াইছে ডেভিদ বেকাৰ, ডেমিছ হাচাবিছ আৰু জন এম জাম্পাৰলৈ। বেকাৰক গণনামূলক প্ৰ'টিন আৰ্হিৰ বাবে আৰু ডেমিছ হাছাবিছ আৰু জন জাম্পাৰলৈ প্ৰ'টিন গঠনৰ পূৰ্বানুমানৰ বাবে ন'বেল বঁটা আগবঢ়োৱা হৈছে। ২০২০ চনত ডেমিছ আৰু জাম্পাৰে আলফাফল্ড-২ নামৰ এটা AI মডেল উপস্থাপন কৰিছিল। তেওঁলোকৰ এই মডেল ১৯০ খন দেশৰ ২০ লাখতকৈও অধিক লোকে ব্যৱহাৰ কৰিছে।

ৰাসায়নিক সঁজুলি হিচাপে প্ৰ'টিনে কেনেদৰে শৰীৰত কাৰ্য কৰে তাক বুজিবলৈ সহজ হৈ পৰিছে। প্লাষ্টিক পচিব পৰা অনুজীৱই পৰিৱেশক সুৰক্ষা প্ৰদান কৰিব।

# নিজেই নিজক বিচাৰি

**সত্যজিৎ গগৈৰামুণী গাওঁ**




প্ৰখৰ ৰ'দত বহল পথাৰখনৰ বুকুত
এখন কোৰ লৈ কোনোবাই খান্দি আছে
ঘামেৰে বোৱাই দিয়া এখন শীতল নৈ
আনফালে দেশৰ জনতাই লঘোণ দিছে,
আলু-পিঁয়াজৰ মালা পিন্ধি গৰুৰ গাড়ীত
সৌৱা কোন জগতৰ পলাতক কবি!
ভিৰৰ মাজত কেতিয়াবা নিজেই নিজক বিচাৰি
এখন দুখনকৈ ক'ত চহৰ চলাথ কৰোঁ
ক'তবাৰ মৰি মৰি জী উঠো
সেউজীয়া পৃথিৱী এখনত বহি
হাত দুখন মেলি মুদি দিওঁ দুচকু,
এটুকুৰা কেঁচা ঘাঁ আৰু বুদ্ধই চাই দিয়া
মোৰ হাতৰ তলুৱাৰ ৰেখাবোৰক প্ৰশ্ন কৰোঁ
মই ক'ত আছোঁ আৰু কিহৰ বাবে আছোঁ?
এনে বহু প্ৰশ্নৰ মাজত সোমাই
মই হেৰুৱাই পেলাইছোঁ নেকি
শস্য-শ্যামলা মোৰ ধুনীয়া আইক
নে নিৰুদিষ্ট শিল্পী আৰু কবিৰ দৰে
ক'ৰবাত এৰি থৈ আহিছোঁ নিজক...

# সময় নহয় যেন

মনটো ভাৱক্ৰান্ত কৰি তুলে।

এই আশংকা দুৰ কৰিবলৈও হ'লে সমাজত এক সংস্কাৰ গঢ় দিব লাগিব। পুৰণি মূল্যবোধৰ গভীৰ চৰ্চাৰ প্ৰয়োজন। আমি বয়সস্থ সকলে নিজৰ ঘৰ খনত, চুবুৰীটোত, বিদ্যালয় খনত, আমাৰ নামঘৰ, মছজিদ বা উপসনা গৃহবোৰত, আমাৰ গোট বোৰত বা অন্য সৰু-সুৰা অনুষ্ঠানবোৰতো পূৰ্বৰ মূল্যবোধ, পৰম্পৰা, ঐতিহ্যৰ, চৰ্চা কৰিব লাগিব। নিজৰ সন্তান বোৰক ভাল মানৱীয় গুণ যেনে মৰম, দয়া, ক্ষমা, ধৰ্য, সহ্য, অহিংসা আদি গুণ বোৰৰ বিকাশৰ বাবে জ্ঞান দিব লাগিব।তাৰ আগতে আমাৰ নিজৰো বেয়া গুণ বোৰৰ অভ্যাস পৰিহাৰ কৰি নিজৰো গুণ বিলাকৰ বিকাশ কৰি আদৰ্শ দেখুওৱাব নোৱাৰিলে আমি পুণৰ এখন শান্তিপূৰ্ণ সমাজ আশা কৰিব নোৱাৰিম।

# ক্ষমতা থাকিলেহে শান্তিৰ আগমন ঘটে




**চন্দ্ৰ শেখৰ পৰাজুলী, বিশ্বনাথ চাৰিআলি**

শান্তি মানে হল, কোনো অসুবিধা নোহোৱাৰ বাবে সুখময় মানসিক বা শাৰীৰিক অৱস্থা। এতিয়া কথা হল এই সংসাৰত জীৱিত অৱস্থাত থকা সকলোবোৰ প্ৰাণীৰ জীৱনত সুখময় মানসিক বা শাৰীৰিক অৱস্থাৰ আগমন কেনেকৈ সম্ভৱপৰ হৈ ওঠে কেতিয়াবা চিন্তা-ভাৱনা কৰি চাইছেনে বাৰু? অৰ্থাৎ অন্যান্য সকলোবোৰ প্ৰাণীৰ তুলনামূলকভাৱে আমি জীৱশ্ৰেষ্ঠ প্ৰায়বোৰ মানুহে প্ৰতিক্ষণে শান্তি বিচাৰি বিচাৰি হয়তো বহু হাবাথুৰি খাই থাকিব লগিয়া হয় নহয়নে ? কিন্তু আমাৰ এই জীৱনৰ প্ৰতিটো দিশ তন্ন তন্নকৈ চালি-জাৰি চালে গম পোৱা যায় যে, ক্ষমতা থাকিলেহে শান্তিৰ আগমন ঘটে। বিশ্বৰ ভিতৰতে বৰ্তমান সময়ত আমেৰিকা যুক্তৰাষ্ট্ৰ হয় এক বহু শক্তিশালী ৰাষ্ট্ৰ। এতিয়া কথা হল আমেৰিকা যুক্তৰাষ্ট্ৰৰ আগত কোনো এখন ৰাষ্ট্ৰয়ে ভুলতেও বেয়াকৈ দৃষ্টি নিক্ষেপ কৰিব নোৱাৰে। ইয়াৰ একমাত্ৰ কাৰণ হল বিশ্বৰ সকলোবোৰ ৰাষ্ট্ৰয়ে একেবাৰে ভালকৈ গম পায় যে, আমেৰিকা যুক্তৰাষ্ট্ৰ মানে হল বহু ক্ষমতাশালী আৰু ক্ষমতা সম্পন্ন দেশ বুলি। সেয়েহে বৰ্তমান সময়ত বিভিন্ন বিভিন্ন ৰাষ্ট্ৰত বৰ গণ্ডগোলীয়া পৰিস্থিতিৰ মাজতো তুলনামূলকভাৱে আমেৰিকাত এতিয়াও বহু শান্তি বিৰাজমান হৈ আছে।আনহাতে আমি হয়তো কেতিয়াবা ৰাস্তাৰে গৈ থাকোঁতে কুকুৰ এটাই যদি ভৌ ভৌ কৰি দেখি আহে তেন্তে আমি সেই কুকুৰটোক তৎসনাতভাৱে হাতত শিলগুটি বা লাঠি এডাল উঠাই সেই ঠাইৰ পৰা খেদি পঠিয়াবলৈ সক্ষম হম নহয়নে? কিন্তু আমি যদি ৰাস্তাৰে গৈ থাকোঁতে বাঘ এটা আমাৰ সন্মুখত আহি ওলাই পৰে তেন্তে আমি গৈ থকা ৰাস্তাৰ পৰা পলায়ন কৰি নিজৰ বাবে এক নিৰাপত্তা প্ৰদান কৰোঁ। অৰ্থাৎ এঠাইত আমি নিজৰ ক্ষমতা প্ৰয়োগৰ জৰিয়তে শান্তি আয়ত্ব কৰিবলৈ সক্ষম হৈছোঁ। দ্বিতীয়তে আমি আনৰ ক্ষমতা ওপৰত নিৰ্ভৰশীল হৈ শান্তি অৱলম্বন কৰিবলৈ বাধ্য হৈ পৰিছোঁ। গতিকে উপৰোক্ত আলোচনাৰ জৰিয়তে গম পোৱা গল যে, প্ৰকৃত অৰ্থত ক্ষমতা থাকিলেহে শান্তিৰ আগমন ঘটে। অন্যথা ক্ষমতাৰ অবিহনে শান্তি কেৱল স্বীকাৰ কৰি যাবলৈ বাধ্য হব লগিয়া হয়। বৰ্তমান সময়ত আমি প্ৰায়বোৰ মানুহে এই ক্ষেত্ৰত সমানে ভুক্তভুগি হৈ আছোঁ। আৰু আমাক হয়তো মনৰ সান্তনাৰ বাবে একেবাৰে বৰ মিছলিয়া শিক্ষা প্ৰদান কৰি অহা হৈছে যে, অহিংসাৰ পৰাহে শান্তিৰ আগমন ঘটে। কিন্তু যদি কেৱল অহিংসাৰ পৰাই শান্তিৰ আগমন ঘটিলে হয় তেন্তে আমাৰ দেশৰ স্বাধীনতা সংগ্ৰামৰ বাবে লক্ষ্য লক্ষ্য মানুহে নিজ জীৱনৰ আহুতি কিয় দিবলগীয়া হৈছিল? গতিকে একান্ততে বহি গভীৰভাৱে বিশ্লেষণ কৰিলেই গম পাব যে, ক্ষমতা থাকিলেহে শান্তিৰ আগমন ঘটে ।

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃমহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286